শ্ৰীশ্ৰী কৃষ্ণায় নমোনমঃ

# ভক্তিতত্ত্ব কাব্য

# Devotional Poetry
# of
# Śrimanta Śankaradeva

6/27/2012

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# ।।ভক্তি-প্ৰদীপ।।

শ্ৰীশ্ৰী কৃষ্ণায় নমোনমঃ

## ।। মঙ্গলাচৰণ ।।

।।পদ।।

জয় জয় কৃষ্ণ কৃপাময় মহাহৰি।
অপাৰ সংসাৰ পাৰ পাৱে যাক স্মৰি।।
হোৱে শুদ্ধ উচ্চাৰি চণ্ডাল যাৰ নাম।
হেনয় কৃষ্ণক কৰো সহস্ৰ প্ৰণাম।।১।।
নমো নমো দৈৱকী-নন্দন দায়াশীল।
তুমিসে পৰম আত্মা আৱেসে জানিল।।
প্ৰভু ভগৱন্ত ভকতৰ নৱনিধি।
কৃষ্ণক স্মৰণে আৰম্ভৰ হৌক সিদ্ধি।।২।।
শুনা সভাসদ পাপ কৰিয়া উচ্ছাদ।
গৰুড় পুৰাণ কৃষ্ণ-অৰ্জুন সম্বাদ।।
ভকতি প্ৰদীপ নাম মহন্তৰ গতি।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।।৩।।
সংসাৰে ভ্ৰমিলো যিটো কৃষ্ণক নজানি।
কৰিলন্ত কৃপা মোক সেহি চক্ৰপাণি।।
ঈশ্বৰ কৃষ্ণক মই ভৈলো পৰিচয়।
হেনয় কৃষ্ণক ভজো তেজি মায়াময়।।৪।।
পুত্ৰ পত্নী তনু মিছা আনন্দৰ চাতুৰি।
অসন্ত প্ৰলাপ পুসিচ ৰুচনা চাতুৰী।।[১]
মায়াময় বিষয়ত তেজি মিছা মতি।
সদানন্দ ঈশ্বৰ কৃষ্ণক কৰো নতি।।৫।।
কৃপাময় মহামুনি ব্যাসসুত শুকে।
ভকতি প্ৰদীপ শাস্ত্ৰ কৰিলা উৎসুকে।।৬।।
জগত পৱিত্ৰকাৰী সাক্ষাতে অমৃত।
যাক শুনি সাধুসৱ হোৱে কৃতকৃত্য।।
যাৰ ইচ্ছা আছে কৃষ্ণ চৰণ সেৱাক।
যেবে ইচ্ছা আছে মনে বৈকুণ্ঠে যাইবাক।।৭।।
ভকতি প্ৰদীপ নামে ভাগৱত পদ।
শুনা একচিত্ত মনে সবে সভাসদ।।
মহাপাপচয় আছে যাৰ হৃদয়ত[২]।
ভকতিৰ কথা তাৰ নপশে কাণত।।৮।।
জানি প্ৰায়শ্চিত্তৰ কৰিয়ো সবে কাম।
প্ৰথমে ঘুষিয়ো কৃষ্ণ কৃষ্ণ মহানাম।।
ভকতিৰ চৰিত্ৰ অমৃত সম স্বাদ।
শুনা সাৱধানে কৃষ্ণ-অৰ্জুন সম্বাদ।।

**।।ৰাজসূয় যজ্ঞ-থলীত ঋষিসকলৰ আলাপ।।**

মহা দিব্য সভা ময়দানৱে নিৰ্ম্মিলা।
যুধিষ্ঠিৰ ৰাজা ৰাজসূয় আৰম্ভিলা।।৯।।
যত দেৱঋষি ৰাজঋষি ব্ৰহ্মঋষি।[৩]
ভৈলন্ত একত্ৰ সেহি সভাত হৰিষি।।
অন্যো অন্যে সম্ভাষন্ত মহামুনি যত।
কৰন্ত সম্বাদ সবে যাৰ যেন মত।।১০।।

যজ্ঞ দান ব্ৰতে মোক্ষ কাহাৰো যুগুতি।
কেহো বোলে মহাযোগ জ্ঞানেসে মুকুতি।।
কেহো বোলে সাধে গতি এহি ৰাজসূয়।
অঙ্গিৰা নাৰদে বুলিলন্ত ইয়ো নুই।।১১।।
জ্ঞান কৰ্ম যোগক কৰন্তে মহা কষ্ট।
অল্প ছিদ্ৰে কৰে যাক ক্ষণেকতে ভ্ৰষ্ট।।
ৰাজসূয় কৰি যেবে ব্ৰহ্মলোকে চৰে।।
পূণ্য ক্ষয় ভৈলে দুনাই সংসাৰত পৰে[৪]।।১২।।
বঞ্চে ব্ৰহ্মলোকত আচৰি তপ যোগ।
নাহি আত্মসুখ ইন্দ্ৰিয়ৰ মাত্ৰ ভোগ।।
মায়াময় দেৱধৰ্ম সমস্তে বিনাশী।
আতো মোক্ষ[৫] আছে বুলি শুনি উঠে হাসি।।১৩।।
শুনিয়া অঙ্গিৰা নাৰদৰ হেন মত।
অৰ্জ্জুনৰ ভৈল মহা সংশয় মনত[৬]।।

**।। কৃষ্ণ-অৰ্জ্জুন-সংবাদ ।।**

কাছতে আছন্ত কৃষ্ণ তাহাক পুছন্ত।
দেৱ দেৱ পৰব্ৰহ্ম প্ৰভু ভগৱন্ত।।১৪।।
কৰিতে নপাৰো ঋষি মতক নিশ্চয়।
মই মূঢ় বুদ্ধি মোৰ ছেদিয়ো সংশয়।।
ৰাজসূয় যজ্ঞ যাগ যোগ মহাজ্ঞানে[৭]।
সাধে কিবা গতি তুলাপুৰুষ প্ৰদানে[৮]।।১৫।।
তপ জপ তীৰ্থ কৰি পাৱে কিবা গতি[৯]।
সুখে যেন শুনো বুজো কহিয়ো যদুপতি।।[১০]
হেন শুনি কৃষ্ণদেৱে দিলা সমিধান।
শুনা সখি কহো বেদ বাক্যৰ প্ৰমাণ।।১৬।।

ৰাজসূয় তুলা দান কৰি যোগ যত।
পৰৈ পৰিৱৰ্ত্তি এহি ঘোৰ সংসাৰত।।
ৰাজসূয় কৰি পাৱে ব্ৰহ্মাৰ ভুৱন।
তুলা দানে কৰৈ তপলোকক গমন।।১৭।।
আন যজ্ঞ কৰি পাৱে ইন্দ্ৰৰেসে লোক।
জ্ঞানৰ যোগৰ কথা সখি শুনিয়োক।।
ভক্তিহীন জ্ঞানযোগ যি জনে আচৰৈ।
নাহি একো ফল মিছা দুখ কৰি মৰৈ।।১৮।।
স্বৰ্গকো নপাৱে সুধা জ্ঞানযোগ বলে।
যেন কাষ্ঠ-পতানে বাহানে নিষ্ফলে।।
মৎস্য আশা কৰে যেন বৃষ্টিৰ জলত।
সুধা জ্ঞান-যোগ জানা সখি সেহিমত।।১৯।।
অৰ্জ্জুনে পুছন্ত প্ৰভু ভৈলা মহাকষ্ট।
যজ্ঞ যাগ জ্ঞান যেৱে সৱে হোৱে ভ্ৰষ্ট।।
কহিয়োক হোৱৈ মোক্ষ কমন উপায়।
নাহি পৰিচ্ছেদদাতা তোহ্মাত বিনাই।।২০।।
মাধৱে বোলন্ত সখি শুনা সৱে ভেদ[১১]।
মোৰ ভকতিসি কৰৈ কৰ্ম্মবন্ধ ছেদ।।
নাহিকে প্ৰয়াস সখি সুখে মোক্ষ সাধে।
হৰি ভকতিক একো বিঘিনি নবাধে।।২১।।
তৰ্ক বেদ বেদান্তক যদ্যপি জানোক।
কোটি কোটি জন্মে যোগ জ্ঞান অভ্যাসোক।।
তথাপিতো নাহি মোক জানিতে শকতি।
কহো সত্য পাৱে মোক কেৱল ভকতি।।২২।।
নপাৱন্ত কহি মহা ভকতিৰ গুণ।
জানি মোৰ[১২] ভকতিক ধৰিয়ো অৰ্জ্জুন।।

ভকতিত পৰে গতিদাতা নাহি আন।
বেদ শিৰোৰত্ন মন্ত্ৰ ইহাৰ প্ৰমাণ।।২৩।।
হেন শুনি ধনঞ্জয় সুধিলা দুনাই।
ভকতিসে ভৈলে যেবে মোক্ষৰ উপায়।।
কিমত ভকতি তাৰ কিমত লক্ষণ।
কহিয়োক হৌক মোৰ জন্ম নিবাৰণ।।২৪।।
কেন বিধি কৰিবোহো ভকতি তোমাত।
কেনবা প্ৰয়াস আছে কহিয়ো সাক্ষাত।।
যিটোজনে কৰৈ আন দেৱত ভকতি।
যাৰ যেন গতি হোৱে কহিও সম্প্ৰতি।।২৫।।
মোৰ মহা শঙ্কা ছেদ কৰা দেৱ হৰি।
তুমিসি পৰম গুৰু হুইবা আজি ধৰি।।
শৰীৰকো সমৰ্পিবো পাৱত তোম্মাৰ।
গুচায়ো সংশয় মোৰ অজ্ঞান আন্ধাৰ।।২৬।।
দিলন্ত উত্তৰ শুনি কৃষ্ণ কৃপাময়।
কহো আৱে শুনা সাৱধানে ধনঞ্জয়।।
মোৰ কথা শ্ৰৱণ কীৰ্ত্তন বিনে আন।
নাহিকে ভকতি সখি দৃঢ় কৰা জ্ঞান।।২৭।।[১৩]
মোৰ জন্ম কৰ্ম্ম মোহোৰেসে গুণ নাম।
আকেসে কীৰ্ত্তন কৰিবেক অৱিশ্ৰাম।।
মোৰ কথা শ্ৰৱণত কৰিবেক ৰতি।
আকেসে বুলিয় সখি উত্তম ভকতি।।২৮।।
জগতৰে আত্মা ব্ৰহ্মাদিৰো মই দেৱ।
জানি মোকেমাত্ৰ একচিত্তে কৰা সেৱ।।
মোক এৰি আন একো নভজে দেৱক।
সেহি ভক্তি এৰুৱাবে সমস্তে কৰ্ম্মক।।২৯।।

সেহি এক শৰণ ভজন অনুপাম।
নুশুনই আন একো দেৱতাৰ নাম।।
অব্যভিচাৰিণী তাকে বুলিয় ভকতি।
নাহিকে প্ৰয়াস আতি অল্পে সাধে গতি।।৩০।।
হেন শুনি কৃষ্ণত বিনায় ধনঞ্জয়।
পুনৰপি প্ৰভু ভৈলে মনত সংশয়।।
তোম্মাত ভকতি কৰৈ নেৰে কাম ক্ৰোধ।
সিজে পাপ কৰ্ম্ম কৰৈ প্ৰাণীক বিৰোধ।।৩১।।
কৰৈ হিংসা লৱৈ প্ৰাণ পলু পিম্পৰাৰ।
আন দেৱ কিবা অপৰাধী ভৈল তাৰ।।
হংস ছাগ কাটি পূজিবাক কিবা দোষ।
ছেদিয়োক দেৱ হৃদয়ৰ অসন্তোষ।।৩২।।
বোলন্ত কেশৱে শুনা ইহাৰ উত্তৰ।
হৌক নৰ যদ্যপি পৰম দুৰাচাৰ।।
মোকে মাত্ৰ ভজোক নুপুজি দেৱ আন।
তথাপি পৰম সাধু সেহি মোৰ প্ৰাণ।।৩৩।।
নবাধয় দোষে তাক তেজিয়ো সংশয়।
সত্যে সত্যে দিবো মোক্ষ সখি ধনঞ্জয়।।
অনাচাৰ কৰি মোৰ অপৰাধি নুহি।
আন দেৱ পূজে যিটো সেহি মোৰ দ্ৰোহী।।৩৪।।
মহা মোক্ষদাতা মোত পৰে নাহি কেৱ।
তথাপিতো পূজে তেজি মোক আন দেৱ।।
যিটো মহা ম্লেচ্ছ খাই কুকুৰক মাৰি।
তাতো কৰি অপৱিত্ৰ সিতো অহঙ্কাৰী।।৩৫।।
দেখি বুৰ দিবে লাগে নাহি আত ছিদ্ৰ।
চাণ্ডালৰো অশোচ্য হেনসে অপৱিত্ৰ।।

যিয়ে নিজ পিতৃক কৰিলে অপমান।
ব্ৰহ্মাণ্ডতো নাহি পাপী তাহাৰ সমান।।৩৬।।
সেহিসে ৰাক্ষস সেহিসে পৰম অসুৰ।
অনেক জন্মৰ আছে পাতেক প্ৰচুৰ।।
তাতেসে আনক পূজে কৰে বলিদান।
মোহোৰ বাক্যৰ সখি লৈয়োক প্ৰমাণ।।৩৭।।
কৰ্ম্মত বিশ্বাস হুইবে নুপুজিব বোধ।
অকাৰণে ভকতক কৰিবে বিৰোধ।।
মোৰ বেদবাক্যক লঙ্ঘিলে দুৰাচাৰ।
নৰকৰ পৰা তাৰ নুহিকে নিস্তাৰ।।৩৮।।
হেন জানি তুমি তেজিয়োক আন দেৱ।
এৰি আন কৰ্ম্ম মোক মাত্ৰ কৰা সেৱ।।
আন দেৱ ধৰ্ম্মমানে মায়াময় দেখা।
মোহোৰ বচন সখি পাষাণৰ ৰেখা।।৩৯।।
ইটো কৃষ্ণ কথা শুনিয়োক সৰ্ব্বজন।
গীতাত কহিলা এহি কথা নৰায়ণ।।
হেন জানি কৰা আত সুদৃঢ় বিশ্বাস।
ভাগ্যে আসি ভৈলা কৃষ্ণ দেৱতা প্ৰকাশ।।৪০।।
কৃষ্ণ নাম ধৰ্ম্ম ভৈলা কলিত উদয়।
যাৰ ধ্বনি শুনি হোৱৈ পাপৰ প্ৰলয়।।
আত এৰি আন বিষয়ত কৰে আশ।
অমৃতক তেজিয়া বিষক কৰে গ্ৰাস।।৪১।।
আপুনে কহিলা কৃষ্ণ বেদান্তৰো মত।
পাপে আৱৰিলে সিয়ো নপসৈ কাণত।।
হিয়াত নাহিকে বোধ শাস্ত্ৰ মাত্ৰ পঢ়ে।
যেন জ্ঞানহীন শুক সাৰ বাণী ৰঢ়ে।।৪২।।
কেতিক্ষণে পৰে প্ৰাণ তাৰ নাহি থিত।
হেন জানি কৃষ্ণৰ চৰণে দিয়ো চিত্ত।।
কৰিয়ো যতনে যম তৰিবাৰ কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।৪৩।।

শ্ৰীমন্ত শংকৰদেৱ সংঘ

**।।সুশীল ব্ৰাহ্মণ আৰু চণ্ডালিনী সংবাদ কথন।।**

**।। দুলড়ী।।**

অৰ্জ্জুনে বোলন্ত প্ৰভু নাৰায়ণ
কহিলা তুমি সাক্ষাত।
তথাপি প্ৰত্যয় কৰিবে নপাৰো
নযায় মনে সঞ্জাত।।
তোম্মাক নভজি আন দেৱ ভজি
চণ্ডালতোধিক হোৱৈ।
হেন বিপৰীত কৈত নাহি শুনি
চণ্ডালে তাক নোচোৱৈ।।৪৪।।
যদি কোনো থানে দেখি শুনি আছা
কহিয়ো হৌক প্ৰত্যয়।
হেন শুনি হৰি হাসিয়া বোলয়
ওবা সখি ধনঞ্জয়।।
শুনা সাৱধানে মহা গোপ্য কথা
ইতিহাস পুৰাতন।
আশ্চৰ্য্যতো আতি পৰম আশ্চৰ্য্য
কহন্ত বিস্ময় মনত।।৪৫।।
আছিলা পূৰ্ব্বত অত্যন্ত চাণ্ডালী
মোতেসে কৰি ভকতি।
মঞিঁ বিনে একো দেৱক নজানয়
মোহোৰ সেৱাত ৰতি।।
দিনেক মনত মোক সুমৰন্তে
আতি মহাপ্ৰীতি ভৈলা।
সখীসৱ সঙ্গে খেড়ি খেলাৱন্তে
গঙ্গাৰ তীৰক গৈলা।।৪৬।।
দেখি পুৰুষেক বসি আছা তৈতে
সাজি দিব্য প্ৰতিমাক।
গন্ধে পুষ্পে ধূপে চন্দনে নৈবেদ্যে
পূজৈ ইন্দ্ৰ দেৱতাক।
দূৰ্ব্বাক্ষত ঘৃত তিল মিশ্ৰ কৰি
বহ্নিত দিলা আহুতি।
ভূমিত পৰিয়া কৃতাঞ্জলী হুয়া
কৰিবে লাগিলা স্তুতি।।৪৭।।
বিষ্ণুতো অধিক ইন্দ্ৰেসে দেৱতা
মানিয়া মনে সুশীল।
মহা স্বৰ্গপদ দিবন্ত বুলিয়া
তানে স্তুতি আৰম্ভিল।।
পঢ়ি বাৰম্বাৰ শুনি মনোহৰ[১৪]
কৰ্ণত অমৃত স্ৰৱৈ।
মহা গুণগণ বৰ্ণায়া ইন্দ্ৰক[১৫]
সুশীল স্তুতি বিনাৱৈ।।৪৮।।
নমো জলধৰ সুন্দৰ শৰীৰ
সহস্ৰ নয়ন দেৱ।
কেশৱৰ তুমি ঈশ্বৰ জানিয়া
ত্ৰিজগতে কৰে সেৱ।।
উৰ্ব্বশীৰ মহা আনন্দ দায়ক
দিব্য ৰত্নে জ্বলৈ কায়।
পৰম প্ৰভাৱ তুমি অগতিত
দানৱ পতঙ্গ প্ৰায়।।৪৯।।
বিষ্ণু আদি কৰি সমস্তে দেৱৰ
তোমাতেসে অনুৰাগ।

চৰণে প্ৰণাম কৰিলো প্ৰভুদেৱ
দিয়োক স্বৰ্গত ভাগ।।
জ্ঞানীগণে কৰে তাকেসে প্ৰশংসা
স্বৰ্গ মহাসুখ জানো।
অপেস্বৰা সৱ সহিতে সম্ভোগ
মোক্ষতো অধিক মানো।।৫০।।
তোমাৰেসে মই ভৈলো নিজদাস
তুমি বিনে নাহি আন।
তোহ্মাৰ চৰণে নমো ইন্দ্ৰদেৱ
স্বৰ্গত দিয়োক স্থান[১৬]।।
তুমি বিনে আৰু নাহি সংসাৰত
আন কেহো শ্ৰেষ্ঠ দেৱ।
আছন্ত কেশৱ বামন স্বৰূপ
তোমাকেসে কৰি সেৱ।।৫১।।
মেঘৰ অধিপ কাশ্যপ নন্দন
ই তিনি লোকৰ নাথ।
হুয়োক প্ৰসন্ন[১৭] কৰুণা সদন
নমো নমো নমাই মাথ।।
আনো নানা তুতি কৰিয়া ভকতি
সুশীল ব্ৰাহ্মণ পাছে।
কৃতাঞ্জলি কৰি[১৮] জাহ্নবী তীৰত
বৈঠা বান্ধে বসি আছে।।৫২।।
হেন দেখি পাচে ভকত চাণ্ডালী
বিস্ময়ে মনত গুণি।
সমীপ চাপিয়া বিপ্ৰত পুছিলা
কাহাক পূজা আপুনি।।

তোহ্মাক দেখোহোঁ মহা সাধুজন
পণ্ডিত উত্তম মতি।
দাসী হেন মানি কৈয়ো নিষ্টে মোত
কৰিয়ো কাত ভকতি।।৫৩।।
চাণ্ডালীৰ হেন বচন শুনিয়া
সুশীলে নমাতি আছে।
কতোক্ষণ মানে ঠেস ধৰি ৰহি
মেলিলেক চক্ষু পাছে।।
মহা মদগৰ্বে চাণ্ডালীক চাই
বুলিলন্ত তুলি মাথ।
যাক পূজো মঞি তাক নজানস
তেহোঁ ত্ৰিজগত নাথ।৫৪।।
কেশৱ থাকন্তে অনুসৰি যাক
যিটো দেৱতাৰ দেৱ।
দশ দিকপাল ধৰিয়া যোগান
যাক সদা কৰৈ সেৱ।।
হেন মহেন্দ্ৰক কৰো আৰাধন
সাৱধানে বিধি চাই।
অন্তকালে মোক নিয়া আপুনাৰ
অৰ্দ্ধাসনে দিবা ঠাই।।৫৫।।
গন্ধে পুষ্পে ধূপে পুষ্পে পূজো নিতে[১৯]
পৰম পৱিত্ৰ হুই।
কিবা সোধা মোত চাণ্ডালিনী তোত
কহিবাক যোগ্য নুই।।
এতেক বুলিয়া আসন ভিৰিয়া
ৰৈলা দ্বিজ মৌন হুই।

শুনি চাণ্ডালিনী বিষ্ণুক স্মৰিয়া
বৃদ্ধাঙ্গুষ্ঠে কৰ্ণ চুই।।৫৬।।

বিপ্ৰৰ দুৰ্ঘোৰ কৰ্ম্ম দেখি সিটো
চাণ্ডালী বিস্ময় ভৈলা।
মোত মহাপাপ সিজিল বুলিলা
বিষ্ণু বিষ্ণু স্মৰি ৰৈলা।

শুনা সভাসদ কৃষ্ণকথা পদ
নিশৱদ হুয়া আতি।
কৃষ্ণক নভজৈ নৰকত মজৈ
সি সি জন আত্মঘাতী।।৫৭।।

জগত জনক যিটো কৃষ্ণ দেৱ
আছন্ত জগত ব্যাপি।
মোহে ভৈল অন্ধ ভজিবে প্ৰৱন্ধ
নকৰে তাঙ্ক তথাপি।।

একো কাৰ্য্যে নষ্ট নাহি কায় কষ্ট
ধনৰো নাহিকে হানি।
কৰ্ণে কৃষ্ণ কথা থাকোক সৰ্ব্বথা
মুখে মাত্ৰ ৰাম বাণী।।৫৮।।

এতেকে বোলন্তে প্ৰভু ভগৱন্তে
ভৈলা মোৰ নিজ দাস।
সংসাৰ নিকাৰ দূৰ কৰি তাৰ
বৈকুন্ঠত দেন্ত বাস।।

জানি হেন কৃষ্ণ ইষ্ট দেৱতাক
ভজা তেজি আন কাম।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।৫৯।।

**পদ**

অৰ্জ্জুনক সম্বোধি বোলন্ত বনমালী।
শুনা পাছে যেন কৰ্ম্ম কৰিলা চাণ্ডালী।।
দ্বিজৰ দুৰ্ঘোৰ কৰ্ম্ম দেখিয়া সাক্ষাত।
নাকত আঙ্গুলি দিয়া ৰহিলা তথাত।।৬০।।

আন দেৱ পূজি ইটো গৈল ছাৰখাৰে।
আৰ দুৰ্ভাগ্যক কোনে বৰ্ণাইবাক পাৰে।।
কিনো বিষ্ণুমায়া কৰিলেক বুদ্ধিভেদ।
চাহি চাহি চাণ্ডালী দ্বিজক কৰে খেদ।।৬১।।

সৰ্ব্বদেৱ তুষ্ট হোৱে কৃষ্ণক পূজনে।
কহে হেন উপনিষদৰ মন্ত্ৰগণে।।
ইটো বেদবাক্যক লঙ্ঘিলা দুৰাচাৰ।
কৃষ্ণতো অধিক বোলে ইন্দ্ৰেসে আম্হাৰ।।৬২।।

পৃথকে ঈশ্বৰ মানি পূজে বাসৱক।
অৱহেলা কৰিলেক ঈশ্বৰ কৃষ্ণক।।
ভাৰতত দ্বিজ জন্ম ভৈলাহা কিসক[১০]।
ইটো অধমৰ জীৱনতো ধিক ধিক।।৬৩।।

আপুনাক সৰ্ব্বনাশ কৰিলা আপুনি।
আশ্চৰ্য্য আশ্চৰ্য্য কিনো দেখে মনে গুণি।।
ইন্দ্ৰকেসে পূজে অৱহেলি নাৰায়ণ।
মানিকক তেজি কৰে কাচক যতন।।৬৪।।

যেন গঙ্গা তেজিয়া ডোঙাক যায় হাণ্ঠি।
তেজি যেন সোণা সনিয়াত মাৰৈ গাণ্ঠি।।
কৃষ্ণতো অধিক ইন্দ্ৰ বুলিলা নিস্খল।
হৰিবিমুখৰ তাৰ জীৱন নিষ্ফল।।৬৫।।

পুণ্য ক্ষীণ ভৈলে সৱে দেৱ যায় নশি।
ব্ৰহ্মাৰ দিনত চৈধ্য ইন্দ্ৰ পৰৈ খসি।।
আপুনিয়ো নেৰাই যিটো অন্তকৰ হাত।
হেনয় ইন্দ্ৰক কৰে কিমতে সঞ্জাত।।৬৬।।
খেদিলেক বলে বলি দেশৰ নিকালি।
দিলা ৰাজ্য মাগিয়া বামন বনমালী।।
হেন ইন্দ্ৰ শ্ৰেষ্ঠ ভৈল কেনমতে আসি।
ইটো কথা সুনন্তে মোহোৰ উঠে হাসি।।৬৭।।
কিনো দিন মন্দ আসি মিলিল আসুখ।
সাক্ষাতে দেখিলো হৰি-বিমুখৰ মুখ।।
পৰম অধম দ্বিজ ইহাৰ আলাপে।
ভৈলো অপবিত্ৰ মোক পৰশিল পাপে।।৬৮।।
কেনমতে শুদ্ধ হঞোঁ মনে কৰি ধ্যান।
সখি সমস্তক বোলে ঝাণ্টে কৰো স্নান।।
সঞ্চাৰাইলে আস্মাত পাতক অধোগামী।
এহি বুলি গঙ্গাত মজ্জিলা জলে নামি।।৬৯।।
সবস্ত্ৰে কৰিলা স্নান বোলে স্তুতি বাক।
বিষ্ণু পাদোদকে কৰা পৱিত্ৰ আস্মাক।।
অসন্ত সঙ্গৰ পাপ[২১] গুচায়ো আস্মাৰ।
দিলা বুৰ অষ্টাধিক একশতবাৰ।।৭০।।
তীৰত উঠিয়া পাছে মনে অনুমানে।
শৰীৰৰ পাপ গুচাইলোহো গঙ্গাস্নানে।।
নুগুচে মোহোৰ মনৰ মহাপাপ।
এহি বুলি কৃষ্ণনাম মন্ত্ৰ কৰে জপ।।৭১।।
কৃষ্ণ কৃষ্ণ মহাহৰি পুৰুষ উত্তম।
অনন্ত অচ্যুত সনাতন হৰি ৰাম[২২]।।
মহাভক্তিভাৱে জপি সহস্ৰেক নাম।
কৃষ্ণক প্ৰাৰ্থিলা[২৩] পাছে হেন মনস্কাম।।৭২।।
হে কৃষ্ণ কৃষ্ণ লৈলোঁ শৰণ তোস্মাত।
আলাপে পাপীৰ পাপ সিজিল আস্মাত।।
কৰা পৰিত্ৰাণ আৱে বাপ জগন্নাথ।
ভূমিত পৰিয়া প্ৰণামিলা নমাই মাথ[২৪]।।৭৩।।
তোস্মাত বিমুখ ইটো পাপী অহঙ্কাৰী।
ইহাৰ বিপত্তি যেন কৰিলা মুৰাৰি।।
কদাচিতো হেন মোৰ নছাৰোক মতি।
জন্মে জন্মে তোস্মাৰ চৰণে হৌক গতি।।৭৪।।
কায় বাক্য মনে মই তোস্মাৰ কিঙ্কৰী।
নিৰপায় ভকতি দিয়োক দেৱ হৰি।।
তোস্মাৰ চৰণে মোৰ নুগুচোক মতি।
তুমিসি সুহৃদ নিজ জানিলো সম্প্ৰতি।।৭৫।।
বান্ধৱ মাধৱ নেৰো আৰ তযু পাৱ।
এতেক বোলন্তে উপজিল প্ৰেমভাৱ।।
আনন্দে দ্ৰৱিল আতি চাণ্ডালীৰ চিত্ত।
বহৱে লোতক তনু ভৈলা ৰোমাঞ্চিত।।৭৬।।

**।। নাৰদ-চাণ্ডালিনী সংবাদ ।।**

জপে কৃষ্ণ ৰাম নাম হুয়া নিশবদ।
সেহিবেলা তৈতে আসি মিলিলা নাৰদ।।
তোলন্ত যন্ত্ৰত নাদ অমৃত সুস্বৰ[২৫]।
আপুনি গাৱন্ত গীত[২৬] কন্ঠ কোকিলৰ।।৭৭।।
জগত পৱিত্ৰ হোৱৈ শুনি ৰাম বাণী।
কাষ্ঠ দ্ৰৱৈ আতিশয় শিলা স্ৰৱৈ পানী।।

বৃক্ষসৱ মঞ্জৰৈ শৰীৰ পুলকিত।
আনন্দে ঈশ্বৰ হোন্ত হিয়াত বিদিত।।৭৮।।
চাণ্ডালীৰ দেখি পাছে ভাৱনা কৃষ্ণত।
পৰম বিস্ময় ভৈলা মুনিৰ মনত।।
পাইলা মহোদয় তৰিলেক বিষ্ণুমায়া।
সাদৰি পুছন্ত শুনা চাণ্ডালৰ জায়া।।৭৯।।
কিবা জাপ্য জপ মোত কহিয়ো সত্বৰ।
শুনি চাণ্ডালিনী দিলা সাদৰে উত্তৰ।।
দণ্ডৱতে পৰি আগে কৰিলা প্ৰণতি।
উঠি কৰযোৰে নাৰদত নিগদতি।।৮০।।
ভাগ্যেসে দেখিলো তযু চৰণ কমল।
আজিসি আম্মাৰ ভৈল জনম সাম্ফল।।
জগত পৱিত্ৰকাৰী তুমি মহা মুনি।
শুনিয়োক কহো যেন পুছিলা আপুনি।।৮১।।
সিজিল পাতক পাষণ্ডৰ আলাপত।
প্ৰথমে মজিলো মঞি গঙ্গাৰ জলত।।
বাহিৰে শৰীৰ শুদ্ধি ভৈল মনে মানো।
অভ্যন্তৰ পাপ নতু গুচে হেন জানো।।৮২।।
নুগুচৈ মনৰ মল কোটি তীৰ্থ স্নানে।
এতেকে কৃষ্ণত চিত্ত দিয়া সাৱধানে।।
কৃষ্ণৰাম নাম মহামন্ত্ৰ কৰো জপ।
পাপিনীৰ হৌক মন পৰম নিষ্পাপ।।৮৩।।
হেন শুনি নাৰদৰ পৰম বিস্ময়।
চাণ্ডালীত পুনৰপি পুছিলা সংশয়।।
যি কথা কহিলি ইটো অদভূত আতি।
পৰম অশুদ্ধ তই চাণ্ডালিনী জাতি।।৮৪।।

অত্যন্ত অন্ত্যজ আউৰ নাহি তোক সম।
তোহোৰ সদৃশ[২৭] আছে কোননো অধম।।
তোকো অপৱিত্ৰ কৰে কোননো পামৰে।
শুনিবাক ইচ্ছা আছে কহিয়ো সত্বৰে।।৮৫।।
হেন শুনি চাণ্ডালিনী বোলে মনে গুণি।
ভূত ভবিষ্যত তুমি জানাহা আপুনি।।
তথাপি মোহোৰ মুখে কাৰাহা বেকত।
শুনা মুনি কহো সৰ্ব্বশাস্ত্ৰৰ সন্মত।।৮৬।।
কৃষ্ণেসে পৰম দেৱ সংসাৰত সাৰ।
পাতকীয়ো তৰে মাত্ৰ নাম লৈলে যাৰ।।
তাঙ্ক এৰি যিটো আন দেৱতাক পূজে।
পশুতো অধম সিটো একোৱে নুবুজৈ।।৮৭।।
কুকুৰকো খায় যিটো মহা ম্লেচ্ছা জাতি।
তাতো কৰি অপৱিত্ৰ জানা সিটো আতি।।
হেন পাষণ্ডক মই কৰিলো আলাপ।
এতেকে সিজিল মোত অমোচন পাপ।।৮৮।।
হঠাতে দেখিলো আসি পাতকী দুৰ্ঘোৰ।
ভৈলা মহা অপৱিত্ৰ তনু মন মোৰ।।
তাক শুদ্ধ কৰিবাক কৰো নিজতন্ত্ৰ[২৮]।
একচিত্তে জপো কৃষ্ণনাম মহাতন্ত্ৰ।।৮৯।।
স্বৰূপ কহিলো মুনি নাহি আন কাম।
পৰম বান্ধৱ মোৰ ৰাম কৃষ্ণ নাম[২৯]।।
সমৰ্পিলো শৰীৰক কৃষ্ণৰ চৰণে।
শুনি মুনি পৰম বিস্ময় ভৈলা মনে।।৯০।।
কিনো মহাভাগ্য এইৰ বুদ্ধি বিপৰীত।
ঈশ্বৰ কৃষ্ণত কৰিলেক একচিত।।

দঢ়াইল মনত এক শৰণ ভকতি।
কিমতে জানিল কৃষ্ণদেৱক সম্প্ৰতি।।৯১।।
ধন্য ধন্য চাণ্ডালিনী মতিত উত্তম।
নেদেখিলো পৰম ভকত তোৰ সম।।
নিশ্চয়ে জানিলি তত্ব কৃষ্ণ দেৱতাৰ।
তোক দৰশনে ভৈলো আমিয়ো উদ্ধাৰ।।৯২।।
সমস্ত বেদৰ তত্ব তঞি আছ জানি।
তইসি উত্তম জাতি তই মহাজ্ঞানী।।
তীৰ্থক পৱিত্ৰ কৰে ইটো কোন চিত্ৰ।
তোৰ দৰশনে হোৱে জগত পৱিত্ৰ।।৯৩।।
এতেক বোলন্তে উপজিল প্ৰেমভাৱ[৩০]।
চাণ্ডালীক বোলন্ত মুনি আতি নম্ৰভাৱ।।
জগতৰে পূজ্য ভৈল ইটো কোন কথা।
মোহোৰ বন্দনী তই জানিবি সৰ্ব্বথা।।৯৪।।
বুলিলা প্ৰশংসা বাণী আনো অসংখ্যাত।
প্ৰদক্ষিণে চাণ্ডালীক কৰি প্ৰণিপাত।।
ৰাম নাম স্বৰ আতি তুলিয়া বীণাত।
চলি গৈলা ভকতৰ সঙ্গতি যথাত।।৯৫।।
নাম উষ্চৰন্তে হৰি হোৱন্ত সাক্ষাত।
প্ৰত্যেকে বিদিত হোন্ত ঋষিৰ হিয়াত।।
পৰম আনন্দে হৰিৰসে হুয়া মত্ত।
ফুৰন্ত পৱিত্ৰ কৰি তিনিয়ো জগত।।৯৬।।

**।। ভকত-লক্ষণ ।।**

কৰন্ত প্ৰকাশ মোৰ যত নাম গুণ।
চাণ্ডালীৰ কথা সখি শুনিয়ো অৰ্জ্জুন।।
গৈলন্ত নাৰদ যেৱে আনন্দে সাদৰি।
চাণ্ডালীয়ো গৃহক চলিলা মোক স্মৰি।।৯৭।।
মোৰ পদ পঙ্কজক ধৰি হৃদয়ত।
সদা ৰাম কৃষ্ণ নাম নছাৰে মুখত।।
প্ৰেমে পুলকিত তনু লোতক বজাই।
সখিসৱে গাৱে গুণ হাত তালি বাই।।৯৮।।
এহিমতে পাইল গৃহ চাণ্ডালৰ জায়া।
অপ্ৰয়াসে তৰিলা দুস্তৰ মোৰ মায়া।।
অনুদিনে বাঢ়ি যায় সুদৃঢ় ভকতি।
চাণ্ডাল কুলৰ ভৈলা তাইত হন্তে গতি।।৯৯।।
এহি জানি স্মৰা মোক বান্ধৱ অৰ্জ্জুন।
কৰিয়ো কীৰ্ত্তন মুখে মোৰ নাম গুণ।।
এক চিত্তে তুমি মোক মাত্ৰ কৰা সেৱ।
পৰিহৰা দূৰতে আন যত দেৱ।।১০০।।
নলঙ্ঘিবা মোহোৰ বাক্যক মহাভাগ।।
দেৱৰ ধৰ্ম্মক মানে কৰা পৰিত্যাগ।।
হুয়োক শৰণাপন্ন একে মোতে মাত্ৰ।
মোক ভজি হুইবা মহা মুকুতিৰ পাত্ৰ।।১০১।।
নাম নুশুনিবা তুমি আন দেৱতাৰ।
যেনমতে নুহিকে ভকতি ব্যভিচাৰ।।
পাইবা মহা মোক্ষ সুখে মোহোৰ সেৱাত।
তুমি মহা মিত্ৰ জানি কহিলো তোম্মাত।।১০২।।
পৰম আশ্চৰ্য্য হেন মোক মানা মনে[৩১]।
যদ্যপি সঞ্জাত নাহি মোহোৰ বচনে।।
যেৱে দৃঢ় কৰিবাক নপাৰাহা সখি।
দেঞঁ তেৱে বোলা সুৱৰ্ণৰ পত্ৰ লেখি।।১০৩।।

শিৰত বান্ধিয়া তাক বন্ধু ধনঞ্জয়।
কৰা দিগ্বিজয় বজায়া বাদ্যচয়।।
কুতৰ্কী পণ্ডিতে যদি কৰে আত বাদ।
পত্ৰ দেখি তাৰ বাদ কৰিবা উচ্ছাদ।।১০৪।।
খণ্ডিবা বচন তাৰ গৰ্বে বাহু তুলি।
পঢ়ি দেখি তোহ্মাক মানিবে গুৰু বুলি।।
নকৰিব বাদ দুনাই পাষণ্ড পণ্ডিতে।
ধৰিবে ভকতি সিটো তোহ্মাৰ দণ্ডিতে।।১০৫।।
পাষাণৰ ৰেখা মোৰ বচন নিশ্চয়।
হেন জানি ভকতি ধৰিয়ো মহাশয়।।
সুহৃদ বুলিয়া দুনাই দুনাই দেওঁ হাক।
মোত বিনে নভজিবা অন্য দেৱতাক।।১০৬।।
মাধৱৰ মহা দৃঢ় শুনি ধনঞ্জয়।
গুচিল মনৰ যত আছিল সংশয়।।
কৃষ্ণক বোলন্ত শুনিয়োক দেৱহৰি।
আমাৰ পৰম গুৰু হৈবা আজি ধৰি।।১০৭।।
সম্প্ৰতি তোহ্মাত পুছো প্ৰভু নাৰায়ণ।
কহিয়োক কিমত ভকতৰ লক্ষণ।।
সুখে যেন পাওঁ এই সংসাৰৰ পাৰ।
ভৃত্য হেন জানি মোক কৰিয়ো উদ্ধাৰ।।১০৮।।
বুলিবা মনুষ্য মই দৈৱকী নন্দন।
জানিবো কিমতে তেৱে ভকত লক্ষণ।।
জানিলো সাক্ষাতে তুমি নুহিকা মানুষ।
দেৱৰো দেৱতা তুমি পৰম পুৰুষ।।১০৯।।
এহি বুলি কৃষ্ণক ঈশ্বৰ হেন জানি।
জানু পাৰি বুলিবে লাগিলা তুতিবাণী।।

জয় নমো জগতৰ আনন্দ-দায়ক।
নমো নমো ব্ৰহ্মাদিৰো পৰম নায়ক।।১১০।।
তুমি নাৰায়ণ নিৰঞ্জন জগন্নাথ।
তোহ্মাৰ চৰণে নমো নমো নমাই মাথ।।
ভকতক পালা নষ্ট কৰা দুষ্ট দৈত্য।
তুমি হেন দয়ালু দেৱতা পাইবো কৈত।।১১১।।
যেন মধুকৰে পুষ্পৰস আনৈ চুমি।
সমস্তে বেদৰ সাৰ উদ্ধাৰিয়া তুমি।।
ভৃত্যক কৰায়া পান কিনো কৃপাময়।
ভকত জনৰ সদা আনন্দ হৃদয়।।১১২।।
দেৱতাসৱৰ যেনে হুয়া পৰিপন্থি।
ভুঞ্জাইলা অমৃত ক্ষীৰসাগৰক মথি।।
সেহিমতে পৰম ভকতি মহাজ্ঞান।
আমি মহামূঢ়ক মাধৱ দিয়া জ্ঞান।।১১৩।।
যদুকুল-কমল-প্ৰকাশ দিনকৰ।
ভকত কুমুদ আনন্দ শশধৰ।।
ৰিপু কুমুদৰ জীৰ্ণকাৰী মহাসূৰ্য্য।
নমো নমো কৃষ্ণদেৱ প্ৰভু চতুৰ্ভুজ।।১১৪।।
এতেক বোলন্তে উপজিল প্ৰেমভাৱ।
ভৈলন্ত অৰ্জ্জুন ৰোমাঞ্চিত সৰ্ব্বগাৱ।।
নয়নে নিগঢ়ে নীৰ গদ গদ বাণী।
দেখিয়া সখিক প্ৰবোধয় চক্ৰপাণি।।১১৫।।
শুনা সভাসদ পদ যৈতে কৃষ্ণ কথা।
ভাৰত ভূমিত জন্ম নকৰিয়ো বৃথা।।
দেৱৰো বাঞ্ছিত আতি ইটো নৰকাই।
যেন চিন্তামণি হেৰা হাতত হৰাই।।১১৬।।

দুৰ্ঘোৰ মৰণ আসি কেতিক্ষণে মিলে।
ঘৰ বাৰী চিন্তা এৰুৱাইবে একে তিলে।।
যমৰ কিঙ্কৰে নিগ্ৰহিতে লৈবে প্ৰাণ।
কৃষ্ণ বিনে নাহি জানা যাতনাত ত্ৰাণ।।১১৭।।
যাহাৰ নামত মৃত্যু কম্পে তৰতৰি।
সত্বৰে চিন্তিয়ো নৰ হেন মহাহৰি।।
যাহাক স্মৰণে হোৱে বৈকুণ্ঠত বাস।
হেন কৃষ্ণ দেৱক নভজি হোৱে নাশ।।১১৮।।
আপুনাক আপুনি নকৰা আত্মঘাত।
অপ্ৰয়াসে এৰায়োক অন্তকেৰ হাত।।
কৃষ্ণৰ কিঙ্কৰে কহে এৰি আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।১১৯।।

**।। দুলড়ী ।।**

গোৱিন্দে বোলন্ত মোক ধনঞ্জয়
জানিলা ঈশ্বৰ বুলি।
কমল লোচন বুলিলা বচন
হাতে ধৰি তাঙ্ক তুলি।।
ভকত লক্ষণ পৰম ৰহস্য
নাহিকে জানন্তা তাক।
জ্ঞানী মুনি মানে কেহো নজানয়
মঞি মাত্ৰ জানো আক।।১২০।।
মলমতি আক শুনিয়ো নুবুজৈ
মোতো নাহি যাৰ বুদ্ধি।
প্ৰথমতে মোক একচিত্ত কৰি
তুমি হৈবা মহাশুদ্ধি।।
জগত ব্যাপক নিৰ্মল পুৰুষ
মোতে আছে যত লোক।
চিদানন্দময় মইসে নিৰঞ্জন
জানিয়া স্মৰিয়ো মোক।।১২১।।
কৃষ্ণৰ আদেশ শুনি ধনঞ্জয়
কৰিলা মহা ভকতি।
কৃষ্ণৰ চৰণ পঙ্কজ হৃদয়ে
ধৰিলা সুদৃঢ় মতি।।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ উচ্চ কৰি
উচ্চাৰিলা বাৰ শত।
মাধৱে দেখন্ত সখিৰ মনত
গুচিল পাতক যত।।১২২।।
সম্বোধি বোলন্ত বন্ধু ধনঞ্জয়
শুদ্ধ ভৈলা মোক স্মৰি।
ভকত লক্ষণ মহিমা অদ্ভূত
শুনা সাৱধান কৰি।।
ভকতৰ ইটো অমূল্য ৰতন
আক শুনিবাক প্ৰতি।
চিত্ত দৃঢ় কৰি চিত্ত দৃঢ় কৰা
নাযাউক আনত মতি।।১২৩।।
নকৰিবা ভয় নকৰিবা ভয়
পৰম আশ্চৰ্য্য শুনি।
মোৰ প্ৰিয়তম ভকতৰ ধন
মহিমা কহো আপুনি।।
যত তীৰ্থ দেৱ সৱাকো পৱিত্ৰ

ভকতে কৰে আহ্মাৰ।
তাৰ পাছ লাগি ফুৰৈ যত দেৱ
শুনা কহো নাম তাৰ।।১২৪।।
ইন্দ্ৰ চন্দ্ৰ সূৰ্য্য কুবেৰ বৰুণ
বায়ু বহ্নি প্ৰজাপতি।
কমলা কাৰ্ত্তিক চণ্ডিকা শঙ্কৰ
গণেশ্বৰ সৰস্বতী।।
অশ্বিনীকুমাৰ ধৰ্ম্ম যমৰায়
আন যত দেৱ আছে।
শুদ্ধ হওঁ বুলি সদায়ে ভ্ৰমন্ত
ভকতৰ পাছে পাছে।।১২৫।।
গঙ্গা বাৰাণসী কেদাৰ কাৱেৰী
কাশী সিদ্ধ কাঞ্চী সিন্ধু।
লোহিত পুস্কৰ ক্ষেত্ৰ পয়স্বিনী
কপিল সপতসিন্ধু।।
কৌশিকী সোলক সৰযু গণ্ডকী
আন যত তীৰ্থ আছে।
শুদ্ধ কৰিবাক লাগি আপুনাক
ভ্ৰমৈ ভকতৰ পাছে।।১২৬।।
বোলৈ তীৰ্থদেৱে কৃতকৃত্য ভৈলো
ভকতৰ পায়া সঙ্গ।
আজিসে আহ্মাৰ জনম সাফল
বুলি কৰৈ মহাৰঙ্গ।।
পাঞ্চ বিধ মুক্তি মূৰ্ত্তি ধৰি ফুৰৈ
মোক লৈয়ো বুলি বাপ।
মোৰ ভকতৰ কতেক কহিবো
পৰম পুণ্য প্ৰতাপ।।১২৭।।
বেদৰ বিহিত কৰ্ম্ম কৰিবাক
ভকতৰ যোগ্য নুই।
যদি মোহ হুয়া কৰে কৰ্ম্ম ধৰ্ম্ম
ভকতিৰ ভ্ৰষ্ট হুই।।
যজ্ঞ দান জপ তপ তীৰ্থ ব্ৰত
মহাজ্ঞান যোগ বল।
ৰত্ন মন্ত্ৰে কহে ভকত জনৰ
সৱেও পুণ্য বিফল।।১২৮।।
তৰ্ক বেদাগম জ্ঞান যোগ-শাস্ত্ৰে
পুৰুষক কৰে অন্ধ।
কোটি কোটি জন্মে মোক নজানিবে
ইহাত যাৰ প্ৰৱন্ধ।।
হেন জানি সখি দূৰতে তেজিয়ো
সিসৱ শাস্ত্ৰৰ চিন্তা।
যেৱে মোক পাইবা সদায় শুনিবা
মহাভাগৱত গীতা।।১২৯।।
হেনবা বুলিবা আপুনাক শ্ৰেষ্ঠ
বখানা তুমি আপুনি।
উপনিষদৰ মন্ত্ৰে আৰ সাক্ষী
কহো তাক থাকা শুনি।।
আন দেৱ ধৰ্ম্ম সৱে মায়াময়
জানিয়া তেজিয়ো তাক।
মোক বেদ মন্ত্ৰে যেন স্তুতি কৰৈ
শুনা সখি বেদবাক।।১৩০।।
যিটো পৰমব্ৰহ্ম পুৰুষ পুৰাণ

সদানন্দ নিৰঞ্জন।
ক্ষণেকে জগত স্ৰজৈ যিটো দেৱ
ক্ষণেকে কৰে উচ্ছন্ন।।
যিটো একমাত্ৰ জগতৰ স্বামী
যাৰ কৃষ্ণ হেন নাম।
একলে সকল জগত প্ৰকাশৈ
চৰণে তানে প্ৰণাম।।১৩১।।
যাহাৰ মায়াত বিমোহিত আতি
জগতৰ যিটো জীৱ।।
ভকত বৎসল নিৰ্ম্মল নিশ্চল
যিটো দেৱ সদাশিৱ।
ব্ৰহ্মাদিকো যিটো চৈতন্য কৰান্ত
পৰম ঈশ্বৰ দেৱ।
সমস্তে প্ৰাণীক প্ৰকাশন্তে আছে
তাহাকেসে কৰো সেৱ।।১৩২।।
চাৰু চতুৰ্ভুজ দেখন্তে সন্তোষ
কৰ্ণত কুণ্ডল কান্তি।
কমল নয়ন বয়ন প্ৰসন্ন
দশন মুকুতা পান্তি।।
কন্দৰ্প্পৰ দৰ্প চুৰ হোৱৈ দেখি
তনু নৱ ঘনশ্যাম
যাত পৰে দেৱ নাহি নাহি নাহি
তাকেসে কৰো প্ৰণাম।।১৩৩।।
আনো নানা তুতি মোকে মাত্ৰ বোলৈ
দিলো বেদমন্ত্ৰ সাক্ষী।
যত দেৱ ধৰ্ম্ম সৱাকো উচ্ছাদে
একে মোকে মাত্ৰ ৰাখি।।
বেদবাক্য দেখা পাষাণৰ ৰেখা
জানিয়া দঢ়াইবা চিত্ত।
আন দেৱ তেজি মোকে মাত্ৰ ভজি
তুমি হৈবা কৃতকৃত্য।।১৩৪।।
শুনা সভাসদ কৃষ্ণ কথা পদ
জীৱন জলৰ ৰেখা।
কৈত পৰে প্ৰাণ তাৰ নাহি থান
মৰণ এভো নেদেখা।।
ইহেন মনুষ্য জনম বিফল
ক্ষণে ক্ষণে আয়ু যায়।
ঘোৰ পৰলোকে তৈতে কেনে হৌক
নিচিন্তা তাৰ উপায়।।১৩৫।।
সৱৰে সুহৃদ ঈশ্বৰ কৃষ্ণত
হুয়োক এক শৰণ।
তানে গুণ নাম লৱা অৱিশ্ৰাম
চিন্তিয়ো তানে চৰণ।।
কৃষ্ণৰ নামক যিজনে সুমৰে
তাহানে পুৰুষ মানে।
নৰকৰ পৰা তেখনে স্বৰ্গত
উঠয় দিব্য বিমানে।।১৩৬।।
দধি দুগ্ধ মধু ধাৰায়ে বহৱৈ
পিতৃ পিৱৈ পেট ভৰি।
তৰিলো তৰিলো বুলিয়া নাচয়
অনেক আনন্দ কৰি।।
পুত্ৰ সমে পাছে বৈকুণ্ঠক চলে

চতুৰ্ভুজ ৰূপ ধৰি।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
ডাকি বোলা হৰি হৰি।।১৩৭।।

## ।।ভাগৱত ধৰ্ম্মৰ লক্ষণ।।

**।।পদ।।**

কৃষ্ণত পুছন্ত দুনাই অৰ্জ্জুন প্ৰণামি।
তুমি মোৰ গুৰূ ভৈলা জগতৰ স্বামি।।
পৰম ৰহস্য ইটো কতো নতু শুনি।
ভকত লক্ষণ যেন কহিলা আপুনি।।১৩৮।।
কোন ভাগৱত ধৰ্ম্ম কিমত লক্ষণ।
সম্প্ৰতি কহিয়ো মোক বুজাই নাৰায়ণ।।
তুমি বিনা ইহাক জানন্তা নাহি কেৱ।
তোহ্মাতেসে শৰণ পশিলো আমি দেৱ।।১৩৯।।
হেন শুনি প্ৰত্যুত্তৰ দিলন্ত মাধৱ।
শুনা ভাগৱত ধৰ্ম্ম মধ্যম পাণ্ডৱ।।
হুয়া শৌচ কৰা নিতে মনক সংযম।
দিয়া দান সমস্তকে বুদ্ধি কৰি সম।।১৪০।।
পৰৰ ধৰ্ম্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত্ত।।
হুইবা শান্ত চিত্ত সৰ্ব্ব ধৰ্ম্মত বৎসল।
এহি ভাগৱত ধৰ্ম্ম জানা মহাবল।।১৪১।।
হেন শুনি অৰ্জ্জুনৰ মনত আসুখ।
বুলিবে লাগিলা হুয়া কৃষ্ণক সন্মুখ।
যিমতে দুষ্কৰ কৰি কহিলা সম্প্ৰতি।
ভাগৱত ধৰ্ম্ম সমে যাইবো অধোগতি।।১৪২।।
পুত্ৰ দাৰা শৰীৰত আছে যাৰ মতি।
ই কৰ্ম্ম কৰিবে পাৰে কাহাৰ শকতি।।
ভৈলো শিষ্য লৈলো তযু চৰণে শৰণ।
কহিয়ো সুগম পথ প্ৰভু নাৰায়ণ[৩২]।।১৪৩।।
বোলন্ত অচ্যুত অৰ্জ্জুনৰ চিত্ত লক্ষি।
সমস্তে ভূততে সমভাৱ হৱা সখি।।
তাক যেৱে নপাৰা ঈশ্বৰ জ্ঞান ধৰা।
তাকো নপাৰাহা যেৱে যোগক আচৰা।।১৪৪।।
যেৱে যোগ জ্ঞানক সামৰ্থ চিত্ত নুই।
মোত তেৱে অৰ্পিয়া কৰিয়ো ৰাজসূয়।।
তাকো কৰিবাক যদি নপাৰা সম্প্ৰতি।
কৰা অশ্বমেধ তাৱে যাৱত শকতি।।১৪৫।।
তাক যেৱে কৰিবাক নপাৰা অৱগায়।
শুনা সখি কহো তেৱে পৰম উপায়।।
সমস্তে ভূতৰ হৃদয়ত আছো আমি।
পৰম সুন্দৰ মনোহৰ অন্তৰ্য্যামি।।১৪৬।।
হেন বুদ্ধি কৰি সৰ্ব্বদায়ে ভজা মোক।
এতেকে তৰিবা সংসাৰৰ দুখ শোক।।
হেন শুনি ধনঞ্জয় দিলন্ত উত্তৰ।
জানিলো নৱৈল গতি মোৰ অধমৰ।।১৪৭।।
সকল দুষ্কৰ যত কহিলা আপুনি।
কৰিবে নপাৰো সাস কাকো মনে গুণি।।
তোহ্মাক ঈশ্বৰ বুলি মানিবো সদায়।

তাক নপাৰিবো নিবেদিলো যদুৰায়।।১৪৮।।

পৰম সুগম পন্থ কৰিয়ো প্ৰকাশ।

জন্মে জন্মে হৈবো তযু চৰণৰ দাস।।

এহি বুলি বীৰ ভৈলা প্ৰেমে সলোতক।

দেখি স্নেহে হৰি বুলিলন্ত অৰ্জ্জুনক।।১৪৯।।

কৰিয়োক সখি মহা মনত উল্লাস।

ৰহস্য ধৰ্ম্মক কৰো তোম্হাত প্ৰকাশ।।

## ।। নাম মহিমা ।।

সমস্তে ধৰ্ম্মক বিদূৰতে পৰিহৰি।

স্মৰিয়ো আম্হাৰ নাম মহা যত্ন কৰি।।১৫০।।

যিটো গুণ নাম মোৰ সংসাৰতে সাৰ।

কৰিলো গোপ্যক সখি তোম্হাত প্ৰচাৰ।।

ৰহস্যতো ৰহস্য আম্হাৰ নাম কৰ্ম্ম।

আকেসে বুলিয় মহাভাগৱত ধৰ্ম্ম।।১৫১।।

মোৰ বাক্যে সুদৃঢ় বিশ্বাস সখি কৰি।

আনো দেৱ ধৰ্ম্ম মানে সৱাকো নাদৰি।।

মোৰ নাম কৰ্ম্ম কৰা শ্ৰৱণ কীৰ্ত্তন।

হুয়ো মহাসুখে সখি সংসাৰ তাৰণ।।১৫২।।

শুনি পুনৰপি বিনাৱন্ত ধনঞ্জয়।

কৰিলাহা কৃপা মোক কিনো কৃপাময়।।

মহা ৰহস্যক মোত কৰিলা প্ৰকাশ।

আজি ধৰি ভৈলো তযু চৰণৰ দাস।।১৫৩।।

যতেক শুনোহো শুনিবাক যায় মতি।

নামৰ মহিমা কহা শুনিবো সম্প্ৰতি।।

তোম্হাৰ নামৰ আছে প্ৰভাৱ যতেক।

চৰণত ধৰোঁ মোত কহিয়ো প্ৰত্যেক।।১৫৪।।

মাধৱে বোলন্ত শুনিয়োক কুন্তীসুত।

পৰম অতৰ্ক ইটো কথা অদভূত।।

পৰম গোপ্যক কৰো তোম্হাত প্ৰচাৰ।

আক শুনি সুখে সখি তৰিয়ো সংসাৰ।।১৫৫।।

মোৰ বাক্যে সুদৃঢ় বিশ্বাস সখি কৰি।

আন দেৱ ধৰ্ম্ম মানে সৱাকো নাদৰি।।

মোৰ নাম ধৰ্ম্ম কৰা শ্ৰৱণ কীৰ্ত্তন।

তৰিবাহা সুখে সত্যে বুলিলা বচন।।১৫৬।।

শুনি পুনৰপি ধনঞ্জয় বিনাৱন্ত।

নামৰ মহিমা কহিয়োক ভগৱন্ত।।

কেনবা প্ৰভাৱ আছে তোম্হাৰ নামৰ।

হেন শুনি কৃষ্ণদেৱে দিলন্ত উত্তৰ।।১৫৭।।

সংসাৰত নাহি মোৰ নামক উপাম।

সমস্ত ধৰ্ম্মৰ ৰাজা জানা মোৰ নাম।।

মহাযোগ যজ্ঞে যাৰ নুহিকে সমান।

তাহাতো অধিক মোৰ নামেসে প্ৰধান।।১৫৮।।

যিটো জপ যজ্ঞ সৰ্ব্ব ধৰ্ম্মত উত্তম।

লক্ষ ভাগো নুহিকে নামৰ মোৰ সম।।

সমস্তে যজ্ঞৰে ৰাজা যিটো ৰাজসূয়।

নামৰ সমান সিয়ো কোটি ভাগো নুই।।১৫৯।।

অশ্বমেধ যজ্ঞ আৰ কিঙ্কৰ সমান।

ওচৰ নপাৱে তুলাপুৰুষ প্ৰদান।।

মহাযাগ যজ্ঞ যাৰ নথাকে আগত।

কতেক কহিবো সখি নামৰ মহত্ত্ব।।১৬০।।

গঙ্গা বাৰাণসী আদি তীৰ্থ নিৰন্তৰ।

কোটি কোটি ভাগো নুহি সমান নামৰ।।

সিসৱ কিঙ্কৰ ধৰ্ম্ম নামে ৰাজা তাৰ।

জানিবা নামেসে মোৰ জগত উদ্ধাৰ।।১৬১।।

যেন ফল পাৱে যাগ যোগ তুলা দানে।

যেন ফল আছে কোটি কোটি তীৰ্থ স্নানে।।

পৰম সন্ন্যাসে সাধে যি গতি মৰণে।

পাৱে সৱে ফল এক নাম সুমৰণে।।১৬২।।

মহা ধৰ্ম্ম কৰ্ম্ম যত আছে সংসাৰত।

নাম সুমৰণে সৱে উপজৈ লগত।।

উঠে নৃপতিৰ সঙ্গে যেন মন্ত্ৰী পাত্ৰ।

সেহিমতে সিজে পুণ্য নাম লৈলে মাত্ৰ।।১৬৩।।

শুনি অৰ্জ্জুনৰ মনে মিলিল সংশয়।

কৃষ্ণত পুছন্ত পুনৰপি ধনঞ্জয়।।

নামৰ লগত যেবে সিজৈ পুণ্য যত।

তাৰ ফলে বঞ্চিবাক লাগিবে স্বৰ্গত।।১৬৪।।

নাহিকে স্বৰ্গত সুখ অনেক বিঘাত।

পুণ্য ক্ষীণ ভৈলে পুনৰপি হোৱে পাত।।

বিনাশী ধৰ্ম্মক শুনি আকুল হৃদয়।

দিয়ো পৰিচ্ছেদ দেৱ কৃষ্ণ কৃপাময়।।১৬৫।।

সাদৰে বোলন্ত সখি নকৰিবা ভয়।

নামৰ লগতে সিজে যত পুণ্যচয়।।

মোক্ষকেসে সাধে তাৰ নাহি কৰ্ম্মফল।

নতু কহো তোহ্মাত নামৰ মহাবল।।১৬৬।।

হেনবা বুলিবা মোক কিনো ভগৱন্ত।

আপুনাৰ নামক আপুনি বখানন্ত।।

অচিন্ত্য মহিমা নাম কহি নাপাওঁ সীমা।

যেৱে ইচ্ছা আছে তেৱে শুনিয়ো মহিমা।।১৬৭।।

হুয়া উৰ্দ্ধবাহু হেৰা আগতে তোহ্মাৰ।

সত্যে সত্যে সত্যে সখি কৰো অঙ্গীকাৰ।

মোহোৰেসে নাম জগতৰ নিস্তাৰক।

হেন জানি সদা মোৰ শুনিয়ো নামক।।১৬৮।।

বৈকুণ্ঠপুৰত যেৱে কৰিবা নিবাস।

নামত নেৰিবা তেৱে সুদৃঢ় বিশ্বাস।।

অপ্ৰয়াসে মহাসিদ্ধি হৈবেক নামত।

কৰিবা বিশ্বাস তেৱে মোহোৰ বাক্যত।।১৬৯।।

যেৱে মদগৰ্ব্বে মোৰ নুশুনা বচন।

আনদেৱ ধৰ্ম্মকেসে তোহ্মাৰ যতন।।

মঞি হেন দেৱতাত নপৰিলা মতি।

অৱশ্যেকে ধনঞ্জয় যাইবা অধোগতি।।১৭০।।

পৰম সুদৃঢ় নাৱ নামেসে আহ্মাৰ।

সংসাৰ সাগৰে মই সুজান কাণ্ডাৰ।।

মোক তেজি সংসাৰ সাগৰে যাইবা তল।

নুহিবা উদ্ধাৰ জন্ম কৰিয়া বিফল।।১৭১।।

সততে ৰুগীয়া যেন নুভুঞ্জি ঔষধি।

বাঢ়ে ৰোগ অনুদিনে হত হোৱে বুদ্ধি।।

হেন জানি মোহোৰ চৰণে দিয়া চিত্ত।

মোৰ নাম মুখত নেৰিবা কদাচিত।।১৭২।।

শুনি সমিধান হেন দিলন্ত অৰ্জ্জুনে।
নাহি হেন উপদেশদাতা তুমি বিনে।।
তোহ্মাৰ বাক্যত দৃঢ় কৰিলো বিশ্বাস।
আজি ধৰি ভৈলো তযু চৰণৰ দাস।।১৭৩।।
নামেসে পৰম ধৰ্ম্ম জানিলো নিশ্চয়।
তোহ্মাৰ কতেক নাম আছে কৃপাময়।।
কহিয়ো নিঃশেষ দুয়ো চৰণত ধৰোঁ।
হেনবা দুখিত মই সংসাৰত তৰোঁ।।১৭৪।।
মাধৱে বোলন্ত কহোঁ স্বৰূপ তোহ্মাত।
মঞিঁ নপাওঁ অন্ত মোৰ নাম অসংখ্যাত।।
অল্পে সাধে সিদ্ধি বিস্তৰত কিবা কাম।
জগত নিস্তাৰ মোৰ একৈ একৈ নাম।।১৭৫।।
লোকত প্ৰসিদ্ধ যিটো মোৰ নামচয়।
দেওঁ তাৰ লেখা সখি শুনা ধনঞ্জয়।।
শ্ৰীকৃষ্ণ শঙ্কৰ সদাশিৱ সনাতন।
পীতাম্বৰধৰ হৰি বিষ্ণু জনাৰ্দ্দন।।১৭৬।।
গোৱৰ্দ্ধনধাৰী মধুসূদন ঈশ্বৰ।
বেণু-বাদ্যবিশাৰদ দেৱ গদাধৰ।।
যশোদা নন্দন-নন্দ গোপৰ কুমাৰ।
কেশৱ কমলানাথ প্ৰমথ সংহাৰ।।১৭৭।।
ভাস্কৰ পুণ্ডৰীকাক্ষ বিভু বিশ্বম্ভৰ।
অনিৰুদ্ধ শুদ্ধ সত্য মুক্তি ধৰাধৰ।
দৈৱকী নন্দন হৰি নিষ্কিঞ্চন ধন।
বৈকুণ্ঠ কমলাকান্ত নাথ নাৰায়ণ।।১৭৮।।
জগত প্ৰদীপ পাৰিজাত অপহাৰী।
বিশ্বমূৰ্ত্তি ৰামচন্দ্ৰ কামদ কংসাৰি।।

অনন্ত অচ্যুত অঘাসুৰ বিমোচক।
কিৰীটী কুণ্ডল হাৰ ত্ৰিপুৰ অন্তক।।১৭৯।।
শ্ৰীপতি পৰম কৃপা পুৰুষ উত্তম।
ত্ৰৈলোক্য তাৰণ ত্ৰিনয়ন ত্ৰিবিক্ৰম।।
ৰুক্মিণীৰমণ জ্ঞান ৰত্নেশ্বৰ গুৰু।
সত্যভামাবল্লভ ভকত কল্পতৰু।।১৮০।।
চিদানন্দ সদানন্দ দৈৱকী নন্দন।
পূতনা জীৱনৰ বিৰিঞ্চি বন্দন।।
গোৱিন্দ গৰুড়ধ্বজ অজন যাদৱ।
মধুমুৰৰিপু ৰামাপ্ৰিয়দ মাধৱ।।১৮১।।
যোগী ধ্যান পদ বলভদ্ৰ প্ৰিয়ানুজ।
চাৰু ঘনশ্যাম চক্ৰপাণি চতুৰ্ভুজ।।
দানৱ গঞ্জন নিৰাকাৰ নিৰঞ্জন।
হৃষীকেশ শিৱ সৌৰি শকত ভঞ্জন।।১৮২।।
সৰ্ব্বদেৱময় মহা মৃত্যু অন্তকাৰী।
বৃষভ বিধ্বংসী বিষ্ণু বামন বকাৰি।।
সুৰ বৃক্ষ ব্ৰহ্ম বাসুদেৱ বিশ্বম্ভৰ।
কালীয় মৰ্দ্দন দেৱ দেৱ দামোদৰ।।১৮৩।।
জগত জনক পুণ্য জনক চৰিত্ৰ।
জগত কাৰণ জগন্নাথ জিতামৃত।।
গোৱিন্দ আনন্দসিন্ধু উপেন্দ্ৰ গোপাল।
জীৱৰ জীৱন বনমালী মহাকাল।।১৮৪।।
ভকত বৎসল ক্লেশ কলুষমোচন।
শ্ৰী বৎস লাঞ্ছন কৃষ্ণ কমললোচন।।
পুৰাণ পুৰুষ পুণ্য শ্ৰৱণ কীৰ্ত্তন।
দুৰন্ত দয়ালু দীন দৰিদ্ৰ ভঞ্জন।।১৮৫।।

পদ্মনাভ শম্ভু বিভু প্ৰভু ভগৱন্ত।

কতেক কহিবো মোৰ নাম অপৰ্য্যান্ত।।

একৈ একৈ নামে মোৰ জগত উদ্ধাৰ।

স্মৰণতে কৰে পাপ সমস্তে সংহাৰ।।১৮৬।।

যেন মত্ত সিংহ সৱে গৰ্জ্জে মহা ৰাগে।

কোন ক্ষুদ্ৰ পতঙ্গ পাতেক তাৰ আগে।।

আছে যত পঞ্চম পাতক ঘোৰ ঘোৰ।

নাশিবাক পাৰে সৱে একে নামে মোৰ।।১৮৭।।

ব্ৰাহ্মণৰ সুৱৰ্ণক যিটো চুৰি কৰৈ।

সুৰাপান ব্ৰহ্মবধ গুৰুপত্নী হৰৈ।।

স্ত্ৰীবধ ৰাজবধ পিতৃবধ কৰৈ।

গুৰুবধ মিত্ৰবধ পাতেক আচৰৈ।।১৮৮।।

পৰকেসে হিংসে বিষয়ত মহা মোহ।

দেৱ দ্বিজ যত জগতকে কৰে দ্ৰোহ।।

সিজৈ পাপ যিটো অধমৰ অৱিশ্ৰাম।

সৱাকে পৱিত্ৰ কৰে মোৰ একে নাম।।১৮৯।।

যি কথা কহিলো সখি আত কোন চিত্ৰ।

কোটি কোটি তীৰ্থে যাক নকৰে পৱিত্ৰ।।

নাহি শুদ্ধি কোটি প্ৰায়শ্চিত্ত আচৰিলে।

তাকো শুদ্ধ কৰৈ এক নাম সুমৰিলে।।১৯০।।

মোৰ নাম জানা যেন বাড়ৱ অগনি।

পাতেক শুখান বন লাগে তাক ছানি।।

হওঁ অনুকুল মই প্ৰচণ্ড বতাস।

তিলেকো নলাগে দহি কৰো সৰ্ব্বনাশ।।১৯১।।

কহিলো তোম্হাত সখি তুমি প্ৰিয়তম।

সংসাৰত নাহিকে নামক মোৰ সম।।

কৰে অহম্মম যদি আত নেদি মতি।

মোৰ দোষ নাহি তেৱে যাইব অধোগতি।।১৯২।।

শুনা সভাসদ পদ নামৰ মহিমা।

আক মনে ধৰি পাইবা সংসাৰৰ সীমা।।

আপুনি সাক্ষাত ৰহে জগত ঈশ্বৰ।

আক নমানিবে কোন অধম পামৰ।।১৯৩।।

ইটো চাৰি বেদ কৃষ্ণৰেসে আজ্ঞা বাণী।

আৰ প্ৰতিপাদ্য নুবুজিলো প্ৰভু জানি।।

ইবাৰ কৰিবো বুলি জগত উদ্ধাৰ।

পূৰ্ণব্ৰহ্ম আপুনি ভৈলাহা অৱতাৰ।।১৯৪।।

হেন জানি কৃষ্ণৰ চৰণে দিয়া চিত্ত।

তাহানেসে নামে গতি দুৰ্ঘোৰ কলিত।।

কেতিক্ষণে পৰৈ প্ৰাণ এৰা অহঙ্কাৰ।

দুয়ো চকু মুদিলে দেখা দিনতে আন্ধাৰ।।১৯৫।।

নাটেক টাটেক পুত্ৰ দাৰা ধন জন।

তিলেক মিলাৱে যেন জাগিলে সপোন।।

কৃষ্ণৰ কিঙ্কৰে কহে এৰা আন কাম।

নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।১৯৬।।

**।।ছবি।।**

কেশৱৰ বাণী শুনি বিনাৱন্ত ধনঞ্জয়

ভৈল মোৰ সুদৃঢ় বিশ্বাস।

পৰম ৰহস্যতম নাম ভাগতৱত ধৰ্ম্ম

প্ৰভু কৃষ্ণ কৰিলা প্ৰকাশ।।

যাক নতু শুনৈ কেৱ তোম্হাৰ প্ৰসাদে দেৱ

শুনিলোহো নামৰ মহিমা।
কতেক পাতেক প্ৰভু সংহাৰিবে পাৰে নামে
সম্প্ৰতি কহিয়ো তাৰ সীমা।।১৯৭।।
বোলো চৰণত ধৰি কহিয়ো সুগম কৰি
বুজো যেন মই মলমতি।
ভকত ৰঞ্জন এহি অৰুণ চৰণ দুই
জন্মে জন্মে মোৰ হৌক গতি।।
তুমি হেন মহা সন্ত সুহৃদ দেৱতা কৈত
পাইলো কোন জনমৰ ফলে।
এতেক বোলন্তে প্ৰেমে পৰশিল অৰ্জ্জুনৰ
কান্দিলন্ত নয়ন সজলে।।১৯৮।।
অৰ্জ্জুনৰ প্ৰেম বাণী শুনি পাছে চক্ৰপাণি
হাতে ধৰি বুলিলা আশ্বাস।
তোহ্মাৰ ভকতি দেখি মহাতুষ্ট ভৈলো সখি
ৰহস্যক কৰিবো প্ৰকাশ।।
যত মহাপাতকক সংহাৰ কৰিবে লাগি
আছে এক নামৰ শকতি।
যতেক পাতক কোটি জনমত কৰিবাক
নপাৰিবে পাতকী সম্প্ৰতি।।১৯৯।।
তথাপি তোহ্মাত কহোঁ শাস্ত্ৰৰ প্ৰসিদ্ধ কথা
যিবা নামে যত পাপ হৰে।
আন দেৱ সেৱা এৰি কেৱলে আহ্মাক মাত্ৰ
হুয়া এক শৰণ সুমৰে।।
আমাৰ কমলানাথ নামক সুমৰে যদি
পৰম পাতকী অনিচ্ছাত।
দুই কোটি জনমৰ যতেক পাতেক আছে
হৰৈ তাৰ তেখনে সাক্ষাত।।২০০।।
পৰম মঙ্গল নাম যি পুনু শ্ৰদ্ধায়ে লবৈ
হৰৈ পাপ তাহাৰ দুগুণ।
অনিচ্ছায়ে একগুণ শ্ৰদ্ধাত দুগুণ নাম
এহিমতে জানিবা অৰ্জ্জুন।।
বাসুদেৱ নাম মোৰ অকস্মাৎ স্মৰে যিটো
নাহি কিছু মনত উল্লাস।
তিনি কোটি জনমৰ যতেক পাতক তাৰ
নামে কৰে তেখনে নিৰ্য্যাস।।২০১।।
সনাতন নাম মোৰ হেলাত উচ্চৰে যিটো
দুৰাচাৰ মহানন্দ বুদ্ধি।
চাৰি কোটি জনমৰ পৰম পাতক হন্তে
তাৰৈক্ষণে হোৱৈ মহাশুদ্ধি।।
সঙ্কৰ্ষণ নাম মোৰ অনিচ্ছায়ে স্মৰৈ যিটো
অত্যন্ত পৰম ক্ৰূৰমতি।
পঞ্চ কোটি জনমৰ তাহাৰ তেখনে হৰে
মহা মহা পাতক সম্প্ৰতি।।২০২।
আকস্মিতে মোৰ বিভু নামক সুমৰে যিটো
কাম ক্ৰোধ অশুদ্ধ হৃদয়।
ছয় কোটি জনমৰ যতেক পাতক তাৰ
তাৰৈক্ষণে হোৱে তাৰ ক্ষয়।।
যিটো মহা পাপী আসি আকস্মিতে স্মৰৈ মোক
যেখনে পুণ্ডৰীকাক্ষ বুলি।
শত কোটি জনমৰ যতেক পাতক আছে
কৰৈ ভষ্ম মোৰ নামে পুলি।।২০৩।।
যেতিক্ষণে অনিচ্ছায়ে পাপমতি যিটো নৰে

সুমৰে ঈশ্বৰ মোক বুলি।

তথাপিতো আঠ কোটি জন্মৰ যতেক পাপ

তাৰ হৰৈ তেখনে সমূলি।।

যেতিক্ষণে অনিৰুদ্ধ নাম সুমৰিলে মোৰ

অনিচ্ছায়ে মহা দুৰাশয়।

নৱ কোটি জনমৰ পাতক তেখনে তাৰ

হবৈ তাৰ নাহিকে সংশয়।।২০৪।।

যেতিক্ষণে প্ৰভু নাম অনিচ্ছায়ে স্মৰৈ মোক

অত্যন্ত পাতকী দুৰাচাৰ।

দশ কোটি জনমৰ যতেক পাতক তাৰ

নামে কৰে তেখনে সংহাৰ।।

অনিচ্ছায়ে যেতিক্ষণে পাপীসৱে বিষ্ণু বিষ্ণু

বুলি স্মৰৈ মোক আন মনে।

তথাপি এঘাৰ কোটি জন্মৰ যতেক পাপ

হৰৈ নামে তাৰ তাৱৈক্ষণে।।২০৫।।

পৰম পাতকী হুয়া ভাস্কৰ নামক মোৰ

যদি সুমৰিলে আন কামে।

তথাপি বাঢ়য় কোটি জন্মৰ যতেক পাপ

সৱাকো সংহাৰৈ মোৰ নামে।।

অত্যন্ত পাতকী যিটো আন মনে অনিচ্ছাতো

নাম মধুসূদন উচ্চৰে।

তথাপিতো তেৰ কোটি জন্মৰ যতেক পাপ

তাৰ নামে তেখনে সংহাৰে।।২০৬।।

বিশ্বম্ভৰ নাম যদি অশ্ৰদ্ধায়ে সুমৰিলে

যিটো মহা পাতকী দুৰ্ঘোৰ।

তথাপিতো চৈধ্য কোটি জন্মৰ যতেক পাপ

সৱাকো সংহাৰে নামে মোৰ।।

সত্যসন্ধ বুলি যিটো বাৰেক উচ্চৰৈ মোক

যদি হোৱৈ দুষ্ট শঠ চোৰ।

তথাপি পোন্ধৰ কোটি জন্মৰ যকেত পাপ

কৰৈ তাকো নামে মষিমূৰ।।২০৭।।

যিটো হুয়া মহাপাপী পাৰিজাতহৰ নাম

অনিচ্ছাত কৰৈ যদি জপ।

জানিবা সাৰতো সাৰ হৰৈ হৰৈ হৰৈ তাৰ

ষোল্ল কোটি জনমৰ পাপ।।

যেতিক্ষণে পাপীসৱে গোৱৰ্দ্ধনধৰ নাম

মুখে মাত্ৰ কৰিলা প্ৰকাশ।

তথাপি সোতৰ কোটি জন্মৰ যতেক পাপ

হোৱৈ তাৰ তেখনে বিনাশ।।২০৮।।

যেখনে কমলাকান্ত নাম মোৰ পাপী স্মৰে

বুলিলেক যদি একমনে।

তথাপি আঠাৰো কোটি জন্মৰ যতেক পাপ

সৱে নষ্ট হোৱে তাৱক্ষণে।।

যদ্যপি পাতকী মোক মাধৱ বুলিয়া স্মৰে

অশ্ৰদ্ধায়ে আনমন হুই।

তথাপি ঊনৈশ কোটি জন্মৰ যতেক পাপ

সৱাতে তেখনে লাগে জুই।।২০৯।।

চাৰিও বেদৰ সাৰ নাৰায়ণ নাম মোৰ

পৰম দুৰ্জ্জনে যদি স্মৰৈ।

কুৰি কোটি জনমৰ যতেক পাতক তাৰ

মোৰ নামে সমূলি সংহৰে।।

যেতিক্ষণে জগন্নাথ নাম উচ্চাৰিলে মুখে

হুয়া মহা পাতকী প্ৰধান।
তথাপি একৈশ কোটি জন্মৰ যতেক পাপ
সৱে হোৱে তেখনে নিৰ্য্যাণ।।২১০।।
পুৰুষোত্তম নাম মোৰ সুমৰৈ পাতকী হুয়া
যদি কুল ক্ৰিয়া একো নাই।
তথাপিতো বাইশ কোটি জন্মৰ যতেক পাপ
তাৰো সবে ভস্ম হুয়া যায়।
যেবে পৰমব্ৰহ্ম নাম উচ্চাৰিলে মহাপাপী
যাত পৰে নাহি দুৰাচাৰ।
তথাপিতো তেইশ লক্ষ কোটি জনমৰ পাপ
সৱে ভস্ম হুয়া যায় তাৰ।।২১১।।
অত্যন্ত অন্ত্যজো যদি পৰমাত্মা নাম মোৰ
হেলাত উচ্চৰৈ একবাৰ।
লক্ষ কোটি কোটি জন্ম যত কৰি আছে পাপ
তাৰক্ষণে নষ্ট হোৱৈ তাৰ।।
মোহোৰ দুগুটি নাম এক হৰি এক ৰাম
স্মৰে আক মহাপাপী হুই।
ষাঠি লক্ষ কোটি জন্ম যত পাপ কৰি আছে
সৱাৰো মূণ্ডত লাগে জুই।।২১২।।

**।।দুলড়ী।।**

নামৰ মহিমা কহন্তে কেশৱে
আপুনো বিস্ময় ভৈলা।
শৰীৰ ৰোমাঞ্চ বচন নোহ্লাই
নিচুকি তম্ভিয়া ৰৈলা।।
শুনা সভাসদ সদায় ঈশ্বৰ
কৃষ্ণৰ মুখৰ কথা।
চাৰিও বেদৰ ইসে সাৰোত্তৰ
জানিবা আক সৰ্ব্বথা।।২১৩।।
দেৱৰ মধ্যত দৈৱকী নন্দন
ধৰ্ম্মৰ মধ্যত নাম।
দুইত পৰে তিনি নাই নাই নাই
ভকত পূৰণ কাম।।
জানিয়া কৃষ্ণৰ চিন্তিয়ো চৰণ
মুখত নেৰিবা নাম।
কেতিক্ষণে কৈত মৰণ মিলয়
ডাকি বোলা ৰাম ৰাম।।২১৪।।

**।।পদ।।**

নামৰ মহিমা হেন শুনি ধনঞ্জয়।
মিলিল মনত মহা পৰম বিস্ময়।
আশ্চাৰ্য্যতো আশ্চৰ্য্য কৈতো নতু শুনি।
পুছন্ত কৃষ্ণত কতোক্ষণে মনে গুণি।।২১৫।।
যিটো নাম মহিমাক কহিলা কৃপাময়।
শুনি মনে মহা মোৰ মিলিল সংশয়।।
শ্ৰীকৃষ্ণ শঙ্কৰ সদাশিৱ সনাতন।
কৰিও ঈশ্বৰ মোৰ শঙ্কা নিৱাৰণ।।২১৬।।
তুমিসি সুহৃদ জগতৰ পিতামাতা।
তুমি বিনা নাই আউৰ পৰিচ্ছেদ দাতা।।
ইটো আতি অল্প নাম দুগুটি অক্ষৰ।

কিমতে হৰিবে পাপ অনেক জন্মৰ।।২১৭।।
কোটি কোটি তীৰ্থে যাক নপাৰে লালিতে।
যাক নাটে কোটি কোটি মহা প্ৰায়শ্চিত্তে।।
হেন পাপসব্ৰ সাঞ্চি আছে দামে দামে।
তাক সংহৰিবে কেনমতে একে নামে।।২১৮।।
ইটো নাম মহিমা শুনন্তে বিপৰীত।
নামানিবে কুতৰ্কী পণ্ডিতে কদাচিত।।
দিয়ো পৰিচ্ছেদ দেৱ স্থিৰ হৌক বুদ্ধি।
শুনি সমিধান দিলা মাধৱে সম্বুধি।।২১৯।।
মোৰ নাম ৰাজা যত ধৰ্ম্মৰ উপৰি।
আন ধৰ্ম্ম নুহি আৰ কিঙ্কৰকো সৰি।।
হেন নামে পাৰৈ হেন সিদ্ধি সাধিবাক।
কৰিবেক কেনমতে সেৱা কৰ্ম্ম তাক।।২২০।।
যি কাৰ্য্য সাধিবে পাৰৈ আপুনি নৃপতি।
তাক লাগি আছে কিবা ভৃত্যৰ শকতি।।
মহামত্ত সিংহে কৰৈ যতেক বিক্ৰম।
তাক কি কৰিবে ক্ষুদ্ৰ মৃগ হুয়া সম।।২২১।।
গৰুড়ৰ উৰাক টেপচি নুহি জোৰ।
বাসুকীৰ আগে কোন ক্ষুদ্ৰ জলচৰ।।
সূৰ্য্য জুই আঙ্গনীৰ যতেক অন্তৰ।
নামৰ কৰ্ম্মক সখি তেহ্ন পটন্তৰ।।২২২।।
যৈত নাহি মোৰ নাম সূৰ্য্যৰ উদয়।
তৈতেসে প্ৰকাশে তপ জপ যজ্ঞচয়।।
তথাপি প্ৰত্যয় যদি নাহিকে তোহ্মাৰ।
কৰো তেৱে শুনা হেৰা সত্যে অঙ্গীকাৰ।২২৩।।
অযুত সূৰ্য্যৰ জ্যোতি কিৰীটি শিৰৰ।

হাত উপৰক তুলি ধৰি দামোদৰ[৩৩]।।
বুলিলন্ত মহা আড়ম্বৰে নাৰায়ণে।
কৰোহো শপত মই নামৰ কাৰণে।।২২৪।।
সত্যে সত্যে সত্যে সত্যে সত্যে নিষ্ঠা মানি।
সত্যে সত্যে সত্যে সত্যে সত্যে বোলো বাণী।।
কোটি কোটি পাপৰ নামেসে সংহাৰক।
নাম বিনে নাহি সখি সংসাৰ তাৰক।।২২৫।।
দশ সত্য কৰি মই দঢ়াইলোঁ তোহ্মাত।
নাশ যাইবা যেৱে আত নকৰা সঞ্জাত।।
নামৰ মহিমা শুনি হেলা হৈবে মতি।
এহি পাপে যাইবা ধনঞ্জয় অধোগতি।।২২৬।।
হেন শুনি অৰ্জ্জুন ভৈলন্ত সচকিত।
ভৈলা সৱে শৰীৰ প্ৰেমত ৰোমাঞ্চিত।।
বহৱে লোতক দুই নেত্ৰৰ নিগৰি।
কৰিলা কৃষ্ণক নতি দণ্ডৱতে পৰি।।২২৭।।
তোহ্মাৰ বাক্যত ভৈল সুদৃঢ় বিশ্বাস।
আজিসে কৰিলা নাথ মোক নিজ দাস।।
কিনো কৃপাময় তযু কহিবো মহত।
ভৃত্যক শিখোৱা কৰি আপুনে শপত।।২২৮।।
ইটো উপকাৰক সুজন্তা নাহি কেৱ।
পাইবো কৈত হেনয় সুহৃদয় ইষ্ট দেৱ।।
পিতৃ যেন পুত্ৰক চিন্তাহা মহা হিত।
পৰম ৰহস্য মোত কৰিলা বিদিত।।২২৯।।
তোহ্মাৰ প্ৰসাদে ভৈলো আনন্দ হৃদয়।
পুছো পুনৰপি প্ৰভু ছেদিয়ো সংশয়।।
যিটো কৃষ্ণ নাম ইটো জগতে প্ৰখ্যাত।

তাহাৰ মহিমা কিছু নকৈলা আহ্মাত।।২৩০।।
কিবা পাপ হৰিবাক নাহিকে শকত।
তাতেসে নকৈলা কৃষ্ণ নামৰ মহত।।
মোৰ মনে মহা চিন্তা লাগিল মাধৱ।
কহিয়ো ইহাৰ হেতু ভকত বান্ধৱ।।২৩১।।
গোৱিন্দে বোলন্ত সখি শুনা স্বৰূপত।
নাজানোহো ইটো কৃষ্ণ নামৰ মহত।।
যদি হওঁ এহ্নু কোটি কোটি অৱতাৰ।
তভো নপাওঁ অন্ত কৃষ্ণ নাম মহিমাৰ।।২৩২।।
ইটো কৃষ্ণ নামত মহিমা আছে যত।
সৱে কহিবাক তাক নুহিকে শকত।।
কৃষ্ণ নাম বলিষ্ঠ বীৰ্য্যৰ নাহি সীমা।
এতেকে নকৈলা কৃষ্ণ নামৰ মহিমা।।২৩৩।।
কৃষ্ণ কৃষ্ণ উচ্চৰে নভজে দেৱ আন।
শুনা সখি কহো তাক কৰো যেন মান।।
মনে মনে কৃষ্ণো বোলে যদি বা বেকত।
তথাপি সদায় ভ্ৰমো তাহাৰ লগত।।২৩৪।।
হা কৃষ্ণ কৃষ্ণ বুলি স্মৰৈ প্ৰেমভাৱে।
তাৰ পাছে ভ্ৰমো চক্ৰ ধৰি ভূমিপাৱে।।
কৃষ্ণ নাম জৰী যেন বান্ধিলে আহ্মাক।
তাৰ নাম স্মৰি ফুৰো মান্য কৰি তাক।।২৩৫।।
কৃষ্ণ কৃষ্ণ বোলন্তে শৰীৰ ৰোমাঞ্চিত।
নেত্ৰৰ লোতক ঝৰে দ্ৰৱ হোৱে চিত্ত।।
ভকতিৰ আনন্দত আকুল হৃদয়।
সি জনত গৈলো জানা আপুনি বিক্ৰয়।।২৩৬।।
কৃষ্ণনাম সমস্তে নামত শ্ৰেষ্ঠতৰ।
হুয়া এক শৰণ আহ্মাত যিটো নৰ।।
কৃষ্ণ কৃষ্ণ মহা কৃষ্ণ বুলিয়া সুমৰৈ।
মহাখৰ্ব্ব কোটি জনমৰ পাপ হৰৈ।।২৩৭।।
হেন শুনি কৃষ্ণত সোধন্ত ধনঞ্জয়।
তোহ্মাৰ বাক্যত প্ৰভু মিলিল সংশয়।।
বোলাহা নজানো কৃষ্ণ নামৰ মহিমা।
কিমতে কহিলা পাপ হৰিবাৰ সীমা।।২৩৮।।
বোলা যদি হওঁ কোটি কোটি অৱতাৰ।
তভো নপাওঁ অন্ত কৃষ্ণ নাম মহিমাৰ।।
মহাখৰ্ব্ব কোটি সংখ্যা কৰিলা কিসক।
শুনি কৃষ্ণে উত্তৰ দিলন্ত অৰ্জুনক।।২৩৯।।
কহো নিষ্টে শুনা সখি তুমি প্ৰিয়তৰ।
কহিলো প্ৰসিদ্ধ কথা সমস্তে শাস্ত্ৰৰ।।
ইটো কৃষ্ণ নামত মহিমা আছে যত।
কহিবে নপাৰো সখি মই স্বৰূপত।২৪০।।
যদ্যপি অক্ষৰ দুই দেখা কৃষ্ণ নাম।
তথাপি ত্ৰৈলোক্যে নাহি ইহাৰ উপাম।।
যতেক পাতক আছে ব্ৰহ্মাণ্ড ভিতৰে।
সৱাকো কৰিবে পাৰে ভস্ম একেস্বৰে।।২৪১।।
নামৰ বলৰ সখি নাহি পৰিমিত।
যেন বজ্ৰে কৰে পৰ্ব্বতক চূৰ্ণীকৃত।।
মৃগৰ উপৰি যেন সিহংৰ বিক্ৰম।
কৃষ্ণ নাম পাতকৰ কালান্তক যম।।২৪২।.
যাহাৰ বলক মই নজানো নিশ্চয়।
দেওঁ এক শিক্ষা সখি শুনা ধনঞ্জয়।।
যি হেতু পৰম তুমি ভকত আহ্মাত।

তাতেসে ৰহস্য কথা প্ৰকাশো তোম্মাত।।২৪৩।।
কৈলো যেন যেন কৃষ্ণ নামৰ মহত।
আক যিটো জনে জানে সংসাৰ মধ্যত।।
আম্মাত অধিক সিটো গুৰু সি সি জন।
শিষ্য হুয়া সেৱা কৰো তাহানে চৰণ।।২৪৪।।
সি সি জন প্ৰিয়তম ভকত আম্মাৰ।
তাৰ নাম লৈলে হুইবে জগত উদ্ধাৰ।।
দেৱতো তীৰ্থতো কৰি সি সি শ্ৰেষ্ঠতম।
কি কৰিবো সখি মই নোহো তাক সম।।২৪৫।।
সত্যে সত্যে সত্যে সত্যে সত্যে সত্যে সখি।
কহিলো তোম্মাত মহা গোপ্যক নৰাখি।।
ছয় সত্য কৰিয়া কহিলো গোপ্য গুণ।
জানি কৃষ্ণ নাম স্মৰা বান্ধৱ অৰ্জ্জুন।।২৪৬।।
নাহিক তাৰন্তা কৃষ্ণ নামৰ সমান।
যেৱে ইটো কথাত নপাতা তুমি কাণ।।
নাহি মোৰ দোষ তেৱে যাইবা অধোগতি।
নতৰিবা যাতনা মৰণ উতপতি।।২৪৭।।
মইসে ঈশ্বৰ কৃষ্ণ জগতৰ স্বামী।
চৰাচৰ জীৱৰ নিয়ন্তা অন্তৰ্য্যামী।।
যেৱে কৰা মোক হেন বুদ্ধি ধনঞ্জয়।
অল্পতে লভিবা সিদ্ধি নাহিকে সংশয়।।২৪৮।।
শুনি অৰ্জ্জুনৰ ভৈলা আনন্দ হৃদয়।
কৰযোৰে আগত বিনাৱে ধনঞ্জয়।।
তুমি প্ৰভু যদি জীৱ নিয়ন্তা ঈশ্বৰ।
দিয়ো দৰিশন নিজ ৰূপে দামোদৰ।।২৪৯।।
যাক দেখি ভকতৰ আনন্দ হৃদয়।
হেন চতুৰ্ভুজ ৰূপ কৰিয়ো প্ৰত্যয়।।
আপুনি জানাহা মই তোম্মাৰেসে দাস।
নকৰিলা কিয় মোত পূৰ্ব্বতে প্ৰকাশ।।২৫০।।
মাধৱে বোলন্ত সখি নজানাহা আক।
নিজৰূপে যিহেতু নেদেখা শুনা তাক।।
ঈশ্বৰ বুলিয়া যদি জানা মোক মনে।
নলৈবাহা শঙ্কা তুমি শয়নে ভোজনে।।২৫১।।
আউৰ সখি বুলি নকৰিবা পৰিহাস।
চিন্তিবা চৰণ মোৰ এৰি গৃহবাস।।
তাতেসে তোম্মাক নেদেখাইলো নিজৰূপ।
আত আন হেতু নাহি কহিলো স্বৰূপ।।২৫২।।
অৰ্জ্জুনক এহি বুলি প্ৰভু নাৰায়ণে।
ভৈলন্ত ঈশ্বৰ মূৰ্ত্তি তৈতে তাৱক্ষণে।।
জ্বলৈ পীতবস্ত্ৰে আতি শ্যামল শৰীৰ।
সজল মেঘত যেন বিজুলি সুথিৰ।।২৫৩।।
প্ৰসন্ন বদন পদ্ম দেখন্তে তৃপিতি।
শিৰত কিৰীটি কোটি সূৰুযৰ জ্যোতি।।
জ্বলৈ জুটে চুড়ামণি ৰত্নৰ আমোল।
অলকা তিলক শোভে সুসম কপোল।।২৫৪।।
সুৰলিত ভ্ৰুৱ যুগ ধনুৰ অন্বয়।
অৰুণ পঙ্কজ যেন নয়ন দুতয়।।
উন্নত নাসিকা তিল কুসুম সুন্দৰ।
বন্দুলি অধিক জ্বলে ৰাতুল অধৰ[৩৪]।।২২৫।।
কুন্দকড়ি সদৃশ নিবিড়ি দন্তপান্তি।
মণিময় মকৰ কুণ্ডলে কৰৈ কান্তি।।
সুহসিত মুখত বেকত ঘৰ্ম্ম বিন্দু।

হিমকণা সম যেন জ্বলৈ পূৰ্ণ ইন্দু।।২৫৬।।
কন্ঠত কৌস্তুভ যেন আতি নৱ সূৰ্য্য।
আজানুলম্বিত আতি চাৰি চতুৰ্ভুজ।।
ৰত্নময় কেয়ুৰ কঙ্কণে কান্তি তাতে।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ হাতে।।২৫৭।।
কৰতল ৰাতুল দেখন্তে মন তুষ্টি।
প্ৰতি আঙ্গুলিত জাম্প সোণৰ আঙ্গুৰ্ঠি।।
জ্বলৈ নখচয় চাৰু চন্দ্ৰমাৰ কান্তি।
হোৱৈ যাৰ প্ৰকাশন্তে তাপ উপশান্তি।।২৫৮।।
শ্ৰীবৎস পঙ্কতি আতি আছে প্ৰকাশন্তে।
গলে বনমালা জ্বলে আপাদ পৰ্য্যন্তে।।
মহা বক্ষস্থলত দিলন্ত লক্ষ্মী দেখা।
জ্বলৈ চাৰু উদৰে অৰুণ তিনি ৰেখা।।২৫৯।।
হৃদয়ত হেমহাৰ মণি মুকুতাৰ।
কটিত মেখেলা ৰত্নে কৰে জাতিষ্কাৰ।।
পাট পীত ভুনিক দেখন্তে ৰুচিকৰ।
বলিত বৰ্ত্তুল চাৰু উৰু কৰীকৰ।।২৬০।।
চৰণ পঙ্কজ যেন নৱ পদ্মকোষ।
চৰণৰ নূপুৰ ৰঞ্জে দেখন্তে সন্তোষ।।
চম্পাৰ পাকৰি নয় আঙ্গুলিৰ পান্তি।
তাতে আৰকত নখচন্দ্ৰে কৰে কান্তি।।২৬১।।
ৰত্নৰ উস্কন্টি জ্বলে প্ৰতি আঙ্গুলিত।
পদতল ৰাতুল কোমল মনোনীত।।
ধ্বজ বজ্ৰ যৱ আৰো অঙ্কুশ কমল।
এহি পঞ্চ চিহ্ন জ্বলে দুয়ো পদতল।।২৬২।।
পোন্ধৰ বৰিষ সম সুকুমাৰ অঙ্গ।
হোৱৈ ৰূপ দেখি কন্দৰ্পৰো দৰ্প্প ভঙ্গ।।
যাক দৰশনে আনন্দিত তনুমন।
ভকত জনৰ যিটো হৃদয় ভূষণ।।২৬৩।।
পৰম ঈশ্বৰ মূৰ্ত্তি প্ৰকাশন্ত বসি।
ভৈলন্ত উদিত কোটি কোটি সূৰ্য্য শশী।।
নিজ ৰূপে কেশৱে সাক্ষাতে দিলা দেখা।
দেখি অৰ্জ্জুনৰ আনন্দৰ নাহি লেখা।।২৬৪।।
প্ৰীতি প্ৰফুল্লিত মুখ ভৈলা ধনঞ্জয়[৩৫]।
পৰম প্ৰেমত আতি দ্ৰৱিল হৃদয়।।
দুনাই দুনাই আসি সৱে শিহঁৰে শৰীৰ।
সঘনে নিগড়ে দুয়ো নয়নৰ নীৰ।।২৬৫।।
তবধ নয়নে চাহি আছন্ত অৰ্জ্জুনে।
গৰিহন্ত আপোনাক পাণ্ডৱ আপুনে।।
কাষতে আছন্ত হেন প্ৰভু নাৰায়ণ।
নিচিনিলো ধিক ধিক মোহোৰ জীৱন।।২৬৬।।
এহিমতে কৰি আতি গৰিহা মনতে।
প্ৰণামিলা ভূমিত পৰিয়া দণ্ডৱতে।।
পৰম ঈশ্বৰ এন্ত হেনয় আকলি।
আৰম্ভিলা স্তুতি আতি কৰি কৃতাঞ্জলি।।২৬৭।।
নমো নমো জগতনিবাস সনাতন।
ভৃত্য ভয়হাৰী হৰি হুয়োক প্ৰসন্ন।।
পুৰুষ উত্তম সম জগত আধাৰ।
তোহ্মাৰেসে চৰণত কৰোঁ নমস্কাৰ।।২৬৮।।*
সংসাৰ তাপত আৰে পৰো আতিশয়।
ত্ৰাহি ত্ৰাহি দুখিতক কৃষ্ণ কৃপাময়।।
জ্বলৈ যাৰ তনু সূৰ্য্য সহস্ৰ সঙ্কাশ।

তথাপি ভকতে পাৰৈ শীতল প্ৰকাশ।।২৬৯।।

ত্ৰিপুৰ অন্তক প্ৰভু গুণৰ ভাজন।

তোমাকেসে শিৰে কৰো সদায় বন্দন।।

অনন্ত গোৱিন্দ দেৱ মুকুন্দ মাধৱ।

শ্ৰীকৃষ্ণ বিষ্ণু মোৰ তুমিসি বান্ধৱ।।২৭০।।

ভকতিসি বশ্য প্ৰভু ভকতৰ গতি।

জগন্নাথ তোহ্মাৰেসে চৰণে প্ৰণতি।।

যাৰ ৰাম কৃষ্ণ নাম একবাৰ স্মৰৈ।

এতেকে তেখনে মহা পাতকীয়ো তৰৈ।।২৭১।।

হেন ঈশ্বৰৰ সদা থাকো পাশ চাপি।

কিনো মূঢ়বুদ্ধি মই নিচিনো তথাপি।।

পৰম কুমতি আতি নাহি মোত বিনে।

ভৈলো মই আত্মঘাতী আপোন আপুনে।।২৭২।।

একেলগে কৰো স্নান শয়ন ভোজন।

তভো নজানিলো কিনো অন্ধ ভৈল মন।।

ধিক ধিক ধিক আৰে জীৱন আহ্মাৰ।

এহি বুলি কান্দিয়া কৰন্ত নমস্কাৰ।।২৭৩।।

নমো নাৰায়ণ জগতৰ আদিভূত।

পৰম ঈশ্বৰ ভৈলা দৈৱকীৰ সুত।।

দেখায়া অনেক লীলা মুষ্যৰ ছলে।

লক্ষিতে নপাৰো আমি কুবুদ্ধি সকলে।।২৭৪।।

সংসাৰ তাপত মই পৰম আতুৰ।

কৃপাময় মোৰ মোহবন্ধ কৰা দূৰ।।

তযু পাদপদ্মে সদা নখণ্ডোক ৰতি।

হেনয় কৰুণা কৰিয়োক মোক প্ৰতি।।২৭৫।।

নমো নমো ব্ৰহ্মাদিৰ ঈশ্বৰ মুৰাৰি।

লক্ষ্মীৰ নিৱাস শত্ৰুচয় ক্ষয়ঙ্কাৰী।।

ত্ৰাহি জগতৰ নাথ ত্ৰাহি জনাৰ্দ্দন।

তোহ্মাৰ তৰণে কৰো সদায় বন্দন।।২৭৬।।

নমো নমো দৈৱকীনন্দন মাধৱক।

মনুষ্যৰ চেষ্টাক যে দেখাইয়া লোকক।।

স্বৰূপত নিজানন্দময় কলেৱৰ।

তৰ্কিবে নপাৰে হৰিবিমুখ পামৰ।।২৭৭।।

কৃষ্ণ বিষ্ণু হৃষীকেশ শিৱ সনাতন।

জীৱৰে জীৱন জগন্নাথ নাৰায়ণ।।

ত্ৰাহি ত্ৰাহি মহাহৰি পশিলো শৰণে।

নুগুচোক মোৰ মন তোহ্মাৰ চৰণে।।২৭৮।।

আজিসি জানিলো তুমি পৰম ঈশ্বৰ।

নিচিনি কৰিলো অপৰাধ দামোদৰ।।

তুমি এৰে কৰো একে শয্যাত নিৱাস।

ওবা সখি ওবা কৃষ্ণ কৰো পৰিহাস।।২৭৯।।

সিসৱ সুমৰি মোৰ কম্পিত হৃদয়।

অজ্ঞানীৰ অপৰাধ মৰষিয়ো কৃপাময়।।

নমো দামোদৰ নমো নন্দৰ কুমাৰ।

নমো পৰমাত্মা মোক কৰিয়ো উদ্ধাৰ।।২৮০।।

আপোনাৰ মাথ থৈয়া মাধৱৰ পাৱে।

এহি বুলি অৰ্জ্জুনে কান্দত প্ৰেমভাৱে।।

বহি যায় নেত্ৰৰ লোতক সৰসৰি[৩৬]।।

আশ্বাসিলা তুলি তাঙ্ক হৰি হাতে ধৰি।।২৮১।।

এৰা অনুৰাগ প্ৰাণ সখি দেঞ্ হাক।

তোহ্মাৰ ভকতি তুষ্ট কৰিলা আহ্মাক।।

দেখি প্ৰেম ভকতি তোহ্মাত ভৈলো বশ্য।

কৰিলো প্ৰকাশ ইটো পৰম ৰহস্য।।২৮২।।
মোৰ প্ৰিয়তম তুমি বান্ধৱ পৰম।
নাহি আন সুহৃদ অৰ্জ্জুন তুমি সম।।
কহোঁ ৰাজগুহ্য চিত্ত সাৱধান কৰা[৩৭]।।
আক জানি দুৰ্গম সংসাৰ সুখে তৰা।।২৮৩।।
মোক চাহি থাকা সখি কৃতাঞ্জলি ধৰি।
যেন কহো ইহাকে মানিবা দৃঢ় কৰি।।
এৰি বিধি কিঙ্কৰ ধৰ্ম্মৰ সৱ কাম।
সুদৃঢ় বিশ্বাসে স্মৰা মোৰ কৃষ্ণ নাম।।২৮৪।।
মহা যজ্ঞ দান জপ তপ তীৰ্থ ব্ৰত।
পৰম সন্ন্যাস ধৰ্ম্ম যাগ যোগ যজ্ঞ।।
অশ্বমেধ ৰাজসূয় সুকৃতি পৰ্য্যন্তে।
সমস্তে উপজে কৃষ্ণ কৃষ্ণ উচ্চৰন্তে।।২৮৫।।
কৃষ্ণ নামে ধ্যান কৃষ্ণ নামে মহা জপ।
কৃষ্ণ নামে যোগ কৃষ্ণ নামে মহাতপ।।
পৰম সন্ন্যাস কৃষ্ণ নামে মহা জ্ঞান।
মোৰ কৃষ্ণ নামে সাধে সমস্তে কল্যাণ।।২৮৬।।
ইটো কৃষ্ণ নামত সমস্তে আছে গুণ।
হেন জানি কৃষ্ণ নাম স্মৰিয়ো অৰ্জ্জুন।।
কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি কৰিয়ো কীৰ্ত্তন।
এতেকতে হৈবেক সংসাৰ নিৱৰ্ত্তন।।২৮৭।।
কৃষ্ণ কৃষ্ণ নাম স্মৰি পাৱে যেন গতি।
ব্ৰহ্মা আদি দেৱে তাঙ্ক নপান্ত সম্প্ৰতি।।
হেন জানি সমস্ত ধৰ্ম্মক পৰিহৰি।
তৰিয়ো সংসাৰ সুখে কৃষ্ণ নাম স্মৰি।।২৮৮।।
শুনা সভাসদ পদ কৃষ্ণৰ চৰিত্ৰ।
কৰিলন্ত কৃষ্ণে আক আপুনি বিদিত।।
ভকত জনৰ জানা যেন নৱনিধি।
আতি অপ্ৰয়াসে ইসি ধৰ্ম্মে সাধে সিদ্ধি।।২৮৯।।
হেন জানি হুয়ো সৱে কৃষ্ণত সমুখ।
ঘোৰ সংসাৰত অণুমাত্ৰ নাহি সুখ।।
ইটো গৃহবাস বন্দীশাল হেন দেখা।
পুত্ৰ দাৰা ধন জন জানা জলৰেখা।।২৯০।।
মহামোহ নিহলক ভাঙ্গন নযায়।
কাম ক্ৰোধ পাইবে আত নিতে কৰে টাই।।
নানাবিধ ব্যাধি কটা চেঙ্গি* অপমান।
এহিমতে নিকাৰ ভুঞ্জন্তে যায় প্ৰাণ।।২৯১।।
আত শত গুণ দুখ ঘোৰ যমপুৰ।
দূতৰ হাতত সৱে বুদ্ধি হোৱে চূৰ।।
নিচিন্তি নথা তৰিবাৰ কৰা কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।২৯২।।

**।।বৈকুণ্ঠ বৰ্ণন।।**

**।।দুলড়ী।।**

কৃষ্ণক সম্বোধি অৰ্জ্জুনে বোলন্ত
মনত কৰি উল্লাস।
তোহ্মাৰ নামেসে জগত তাড়ক
কৰিলো দৃঢ় বিশ্বাস।।
তোহ্মাৰ স্থানৰ কেনবা প্ৰভাৱ
কিবা নামে তাৰ খ্যাতি।
কহিয়ো তাহাক ব্ৰহ্মায়ো নপান্ত

শুনিলো আশ্চৰ্য্য আতি।।২৯৩।।

শুনি দামোদৰ দিলন্ত উত্তৰ
শুনিয়ো সখি অৰ্জ্জুন।

অনন্ত মহিমা আত্মাৰ থানৰ
কহো তাৰ কিছু গুণ।।

নাহি তৈতে মায়া কালৰ বিক্ৰম
লোভ মোহ ক্ৰোধ কাম।

সদায় আনন্দ ময় মহা সুখ
প্ৰসিদ্ধ বৈকুন্ঠ ধাম।।২৯৪।।

ইন্দ্ৰিয়ৰ ভোগ স্বৰ্গ সুখ মানে
কুৎচিত আতি বিনাশী।

যিটো নিজ সুখ আত্মাৰ আনন্দ
বৈকুন্ঠত মিলৈ আসি।।

মোহোৰ সমান সুবুদ্ধি স্বৰূপ
ভকতে পাৱে তথাত।

নীল তনু পীত বস্ত্ৰে ৰঞ্জে আতি
সমস্তৰে চাৰি হাত।।২৯৫।।

শঙ্খ চক্ৰ গদা পদ্ম ধৰি থাকে
ৰত্নৰ বিমানে বসি।

অনেক পদ্মিনী বেঢ়ি সেৱা কৰৈ
জ্বলৈ যেন কোটি শশী।।

সদায় আনন্দ মোৰ গুণ নাম
শ্ৰৱণ কীৰ্ত্তন কৰৈ।

পৰম প্ৰেমত তনু ৰোমাঞ্চিত
নেত্ৰৰ লোতক ঝৰৈ।।২৯৬।।

নাৰীগণে মোৰ গুণ গীত গাৱে
তাল কৰতাল ঠুকি।

বৈকুন্ঠক ছানি কৃষ্ণ কৃষ্ণ ধ্বনি
ভকতে কৰে উৎসুকি।।

আন কৰ্ম্ম তথা নাহি আন কথা
অণুক্ষণে মোক সাঞ্চৈ।

মোহৰ প্ৰসাদে পৰম আনন্দে
বৈকুন্ঠপুৰত বঞ্চৈ।।২৯৭।।

অযুত নিযুত খৰ্ব্ব মহাখৰ্ব্ব
কোটিৰ মধ্য কলিত।

ভকতিৰ বলে বৈকুন্ঠ লোকক
পাৱৈ গৈয়া কদাচিত।।

বায়ু শশী সূৰ্য্য কুবেৰ বৰুণ
ব্ৰহ্মা হৰ পুৰন্দৰ।

নতু পাৱে কেৱে নপাইবে নপাইবে
লোকৰ যিটো ওচৰ।।২৯৮।।

ভৃগু বিশ্বামিত্ৰ মিত্ৰ নৰনিত
অঙ্গিৰা পুলহ ৰীষি।

তীৰ্থ স্নান দান তপ জপ যজ্ঞ
আচৰৈ যিটো হৰিষি।।

মহা বেদান্তিক যিটো যোগীগণে
জ্ঞানক কৰৈ প্ৰকট।

নিশ্চয়ে জানিবা সিয়ো বৈকুন্ঠৰ
নপাৱে গৈয়া নিকট।।২৯৯।।

প্ৰহ্লাদ নাৰদ বলি মুখ্য কৰি
আছে যত মোৰ দাস।

মোৰ গুণ নাম লৈয়া মহা সুখে

পাৱে গৈয়া মোৰ পাশ।।  
যজ্ঞ জ্ঞান দান সৱে গুণময়  
ভকতি মোৰ নির্গুণ।  
জানিয়া সদায় স্মৰিয়ো আস্মাক  
সুহৃদ সখি অৰ্জ্জুন।।৩০০।।  
মহা মিত্ৰ পদে তোস্মাক কহিলো  
পৰম ৰহস্য কথা।  
যেৱে পাইবা গতি কৰি দৃঢ়মতি  
স্মৰিয়ো মোক সৰ্ব্বথা।।  
এতেক বচন বুলি মৌন ভৈলা  
তিনিয়ো লোকৰ নাথ।  
পৰম বিস্ময় ঈশ্বৰ পুৰুষ  
নজানো লগতে থাকি।।  
সামান্যক যেন নজানো তথাপি  
এহন্তে জগত স্বামী।  
ধিক ধিক ধিক মোহোৰ জীৱন  
পশুতো অধম আমি।।৩০২  
কৃষ্ণক দেখন্তে শৰীৰ শিহৰে  
লোতক বহিয়া যায়।  
তৰধ নয়নে থাকিলা অৰ্জ্জুনে  
কৃষ্ণৰ চৰণ চাই।।  
কতো মকমকি কান্দন্ত মায়াত  
মাখন্ত পাৱৰ ধূলি।  
মাধৱে দেখন্ত মোক ধনঞ্জয়  
জানিলা ঈশ্বৰ বুলি ।।৩০৩।।  
মনত বোলন্ত পাঞ্চ পাণ্ডৱৰ  
নলাগে ঈশ্বৰ মতি।  
যেহি সেহিমতে মোক আৰাধোক  
তথাপি পাইবেক গতি।।  
পৰম ভকত পাণ্ডৱো নজানে  
মই বিনে আন দেৱ।  
প্ৰেম ভকতিত কিনিলেক মোক  
ভৃত্য যেন কৰে সেৱ।।৩০৪।।  
যাৱদেকে মঞিঁ নযাওঁ বৈকুণ্ঠক  
বংশক কৰি উচ্ছাদ।  
তাৱে উপভোগ কৰোক পাণ্ডৱে  
মোহোৰ পায়া প্ৰসাদ।।  
এহি বুলি কৃষ্ণে কৰিলন্ত মায়া  
ঈশ্বৰ জ্ঞানক নাশি।  
সখি সখি বুলি আঙ্কোৱালি ধৰি  
অৰ্জ্জুনে তুলিলা হাসি।।৩০৫।।  
ধৰা ধৰি কৰি বসিলা আপুনি  
ভৈল বোধ পূৰ্ব্ববত।  
ভকতি প্ৰদীপ কহিলন্ত শুকে  
সৰ্ব্বশাস্ত্ৰ সাৰতত্ব।।  
যেন সুচক্ষিণ মই শুকে মহা  
কহিলো জানি নজানি।  
তোস্মাৰ চৰণে কৰো নমস্কাৰ  
ক্ষমিয়োক চক্ৰপাণি।।৩০৬।।  
একান্ত ভকতি তোস্মাক নাৰাধি

দেৱৰো দুৰ্ল্লভ দেৱ।
আন বিষয়ক কোনে বাঞ্ছিবেক
তোহ্মাৰ তেজিয়া সেৱ।।
যিটো দেৱে দিলা অৰ্জ্জুনক আসি
সমস্ত শাস্ত্ৰৰ সাৰ।
নন্দৰ নন্দন হেন মাধৱক
হেৰা কৰো নমস্কাৰ।।৩০৭।।
দেৱ নিবাৰণি গৰুড় পুৰাণ
কৃষ্ণৰ নাম মহত।
ভকতি প্ৰদীপ পুস্তকৰ কথা
এহিমানে সমাপতি।।
হে কৃষ্ণ কৃষ্ণ তোহ্মাৰ চৰণে
প্ৰণামো হুয়ো সন্তোষ।
মূৰুখৰ মোৰ মৰষিয়ো সৱে
বঢ়া টুটা যত দোষ।।৩০৮।।

**।।অতিৰিক্ত পদ।।***

শুনিওক সভাসদ ভকতি প্ৰদীপ পদ
সমস্ত শাস্ত্ৰৰ ইসে সাৰ।
জগত নিস্তাৰ হেতু গোপ্যকে গৰুড়কেতু
অৰ্জ্জুনত কৰিলা প্ৰকাশ।।
পৰম সুগম পথ ভকতি প্ৰদীপ গ্ৰন্থ
কৰা আত সুদৃঢ় বিশ্বাস।
কৃষ্ণৰ মুখৰ বাণী কৰৈ হেলা যিটো জানি
জানা সিটো গৈল সৰ্ব্বনাশ।।
আয়ু ক্ষেণে ক্ষেণে তুতে প্ৰাণ কোন দিনা চুটে
কেতিক্ষণে ধৰৈ মৃত্যু বাঘে।
হুয়া মহা কালগ্ৰস্ত কেনে ভৈলা মন স্বস্থ
যেন পৰলোকে চাইবে লাগে।।
নিচিন্তি নাথাকা বসি কৃষ্ণৰ চৰণ পসি
ধৰা তাত চৰণত চাপি।
ঈশ্বৰ নিচিন্তি মৰৈ তাহাৰ চৰণে তৰৈ
জগতৰ যত মহাপাপী।।
হে কৃষ্ণ কৰো সেৱ দৈৱকী নন্দন দেৱ
তোহ্মাতেসে পসিলো শৰণ।
কৰা কৃপা পাতেকীক অৰুণ চৰণ দুইক
নপাসৰো জীৱন মৰণে।।
নকৰিবা মোক নাথ ভৈলোহো দাসৰো দাস
সদা নচাৱোক মোৰ মতি।
এতেকে ব্যশ্ৰধা কৰে যৈতে তৈতে জন্ম ধৰো
তোহ্মাৰেসে যেন ৰতি বীজ।।
তুমিসি মুক্ষৰ বিজ তুমিসি ঈশ্বৰ নিজ
তুমি মোৰ আত্মা জানি মনে।
আন ধৰ্ম তেজি তোমাৰ চৰণে ভজি
সত্যে সত্যে পশিলো চৰণ।।
জন্মে জন্মে মোৰ গতি মাধৱ বান্ধৱ মতি
আন একো নবাঞ্চোহো কাম।
কৃষ্ণৰো ভৃত্যৰ ভৃত্য শঙ্কৰে ৰচিলা গীত
নিৰন্তৰে বোলা ৰাম ৰাম।।

## ।।ইতি ভক্তি-প্ৰদীপ সমাপ্ত।।

## পাঠান্তৰসমূহঃ

১। অসন্ত প্ৰলাপ পুসিচৰুচনা চাতুৰী

২। শৰীৰত

৩। যত দেৱ ৰাজঋষি আছে ব্ৰহ্মঋষি।

৪। নৰকত পৰৈ

৫। আতোসুখ

৬। পাছে বিস্ময় মনত

৭। মহাদানে

৮। বোলা তুলা সম্প্ৰদানে।

৯। পাচে কিবা গতি ।

১০। সুখে যেন শুনো বুজো কহিয়ো মহামতি।

১১। সত্য বাক।

১২। হেন জানি।

১৩। এই দুই শাৰী আলোচ্য তুলাপতীয়া পুথিত নাই।

১৪। পদ আৰম্ভৰ/মুনি মনোহৰ;

১৫। মহা গুণগণ/দুনাই ইন্দ্ৰক।

১৬। দিয়োক স্বৰ্গত স্থান।

১৭। বৃত্তক মৰ্দ্দন।

১৮। কৰি কৃতাঞ্জলি।

১৯। গন্ধে দিপ দিপে/পুষ্পে পূজো নিতে।

২০। ভৈলাহা কিসক

২১। সমস্তে অঙ্গৰ পাপ

২২। ত্ৰিবিক্ৰম

২৩। থাপিলা

২৪। আলোচ্য পুথিৰ মতে ৭৩ নং পদৰ পাঠঃ

হে কৃষ্ণ কৃষ্ণ লৈলোঁ শৰণ তোমাত।

কৰা পৰিত্ৰাণ আৰে বাপ জগন্নথ।।

ভূমিত পৰিয়া প্ৰণামিলা নমাই মাথ।

অজ্ঞানীৰ দোষ ক্ষমিয়োক জগন্নাথ।

২৫। বোলান্ত বীণাত নাম অমৃতৰ স্বৰ

২৬। আপুনি গাৱন্ত গুণ

২৭। অশ্ৰুস্য আতে

২৮। তন্ত্ৰ=শাসন; নিজতন্ত্ৰ=নিজক শাসন, আত্ম-সংযত।

২৯। মাধৱ নাম।

৩০। শুনিয়ো আৰে মাৱ।

৩১। যেৱে মেলো মন।

৩২। প্ৰভু নাৰায়ণ = নাথ নাৰায়ণ।

৩৩। হাত উপৰক তুলিলন্ত দামোদৰ।

৩৪। বন্দুলি অধিক জ্বলে অতুল অধৰ।

৩৫। পৱিত্ৰ ভৈলন্ত দেখি পাচে ধনঞ্জয়।

*পদ ২৬৮ ৰ পিছত নিম্নোক্ত দুই শাৰী অতিৰিক্তভাৱে কোনো কোনো পুথিত পোৱা যায়ঃ

স্ত্ৰীৰাজ্য বন্ধ ধন বিচিত্ৰ সংসাৰ।

আছে মোহ হুয়া মন মজিয়া আস্মাৰ।।

৩৬। বহি যায় দুই নয়নৰ নিৰ জৰি।

৩৭। কৰাহা সুদৃঢ় চিত্ত সাৱধান কৰি।

* অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সংৰক্ষিত এখন সাঁচিপতীয়া পুথিৰ পৰা উদ্ধৃত।

জয় গুৰু শঙ্কৰ